কাৰিকৰী বিজুতিৰ বাবে কাকতখন ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰিব লগীয়া হ'ল। এই সিদ্ধান্ত ল'ব লগীয়া হোৱাৰ বাবে আমি অতিকৈ দুঃখিত।

— সম্পাদক

গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

*সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে*

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ২১ আগষ্ট, ২০২৬/৩ ভাদ ১৯৪৩ শক ● দাম ৩.০০ টকা ● পঞ্চদশ বছৰ ● সংখ্যা - ১৯ ● Vol - 15, Issue - 19

# খানাপাৰাত স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

**ৰমেন ভৰালী, বংশৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত ১৫ আগষ্টত অসম চৰকাৰে আয়োজন কৰা দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি ৰাজ্যবাসীক উদ্দেশ্যি দিয়া ভাষণৰ আৰম্ভণিতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলোকে স্বাধীনতা দিবসৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে শেহতীয়া প্ৰলয়ংকৰী বানত প্ৰাণ হেৰুওৱাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে এই দুৰ্যোগত সৰ্বস্ব হেৰুওৱাসকলৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে। এঘণ্টাৰো অধিক সময়জোৰা স্বাধীনতা দিৱসৰ ভাষণত তেওঁ প্ৰলয়ংকৰী বানৰ কবলত পৰা শিৱসাগৰ, চৰাইদেউ, যোৰহাট আৰু গোলাঘাট জিলাৰ ৰাইজৰ সহায়ৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰা আৰু পৰিকল্পনা কৰা পদক্ষেপৰ বিষয়ে সদৰী কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমত বিগত ৫ বছৰত হোৱা প্ৰগতিৰ চমু খতিয়ান দাঙি ধৰি উন্নয়নৰ 'অসম আৰ্হি'ৰ প্ৰসংগ উল্লেখ কৰে। তেওঁ কয় যে অসমে এতিয়া আনৰ পৰা শিকাই নহয়, বৰঞ্চ আনকো পথ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। অৰ্থাৎ অসমত আৰম্ভ হৈছে বিকাশৰ এটা নতুন ধাৰা। যোৱা মে' মাহত দায়িত্বভাৰ লোৱাৰ পিছত বিগত ৩ মাহত জনকল্যাণ আৰু অসমৰ সামগ্ৰিক বিকাশৰ বাবে চৰকাৰখনে হাতত লোৱা পদক্ষেপসমূহৰ বিষয়ে সদৰী কৰি তেওঁ অনাগত ৫ বছৰত অসমৰ বিকাশৰ বাবে প্ৰস্তুত কৰা ৰূপৰেখাৰো আভাস দিয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ মতে উন্নয়নৰ এটা 'অসম আৰ্হি' ধীৰে ধীৰে গঢ় লৈ উঠিছে। স্বাধীনতা দিবসৰ পৱিত্ৰ পতাকাৰ তলত থিয় হৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই বিকশিত অসমৰ বাবে কেইবাটাও সংকল্পৰ কথা ঘোষণা কৰে। তেওঁ কয় যে অহা ৫ বছৰত 'বিকশিত অসম-২০৪৭' শিৰোনামেৰে ৫০ হাজাৰ কোটি টকা অসমৰ বিভিন্ন মূলধনী কামত বিনিয়োগৰ বাবে চৰকাৰে সংকল্প গ্ৰহণ কৰিছে। পথ যোগাযোগৰ উন্নতি, শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি নিৰ্মাণ, নগৰ অঞ্চলৰ ৭ পৃষ্ঠাত



## আধুনিক অসমৰ অন্যতম মুখ্য খনিকৰ বা আধুনিক অসম নিৰ্মাতা ড° হিমন্ত বিশ্ব শৰ্মা

■ **ৰমেন ভৰালী**, বংশৰ



উত্তৰ-পূব ভাৰতৰ এগৰাকী অত্যন্ত প্ৰভাৱশালী তথা গতিশীল ৰাজনীতিবিদ অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ২০০১ চনৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হৈ ২০২১ চনৰ ১০ মে'ত অসমৰ ১৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে প্ৰথমবাৰৰ বাবে শপত গ্ৰহণ কৰে আৰু ২০২৬ চনৰ মে' মাহত একেৰাহে দ্বিতীয়টো কাৰ্যকালৰ বাবে পুনৰ ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ দায়িত্বভাৰ গ্ৰহণ কৰে। তেওঁৰ বলিষ্ঠ নেতৃত্ব, প্ৰশাসনিক দক্ষতা আৰু উন্নয়নমুখী চিন্তাধাৰাৰ বাবে তেওঁক সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতে অন্যতম শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী হিচাপে গণ্য কৰা হয়। ড° হিমন্ত বিশ্ব শৰ্মাৰ জন্ম ১৯৬৯ চনৰ ১ ফেব্ৰুৱাৰীত যোৰহাটৰ মিছন হাস্পতালত হৈছিল। তেওঁৰ পিতৃ প্ৰয়াত কৈলাশ নাথ শৰ্মা এজন জনপ্ৰিয় কবি-গতীকাৰ, ঔপন্যাসিক আছিল আৰু মাতৃ সু-সাহিত্যিক, আধ্যাত্মিক জ্ঞানেৰে সমৃদ্ধ, আদৰ্শ মাতৃ বঁটাৰে বিভূষিত মৃণালিনী দেৱী। ড° হিমন্ত বিশ্ব শৰ্মাই যোৰহাট বাল্য ভৱন শিক্ষাৰ পাতনি মেলি গুৱাহাটীৰ কামৰূপ একাডেমীৰ পৰা স্কুলীয়া শিক্ষা সমাপ্ত কৰি তেওঁ গুৱাহাটীৰ বিখ্যাত কটন কলেজৰ (বৰ্তমান কটন বিশ্ববিদ্যালয়) পৰা ৰাজনীতি বিজ্ঞানত স্নাতক (১৯৯০) আৰু স্নাতকোত্তৰ (১৯৯২) ডিগ্ৰী লাভ কৰি পৰৱৰ্তী সময়ত তেওঁ গুৱাহাটী চৰকাৰী আইন মহাবিদ্যালয়ৰ পৰা এল.এল.বি. (LLB) ডিগ্ৰী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত পিএইচডি (Ph.D.) ডিগ্ৰী অৰ্জন কৰে। ছাত্ৰ ৰাজনীতি আৰু ওকালতি ছাত্ৰ অৱস্থাতে তেওঁৰ নেতৃত্ব সুলভ গুণৰ বিকাশ ঘটিছিল আৰু তেওঁ কটন কলেজৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক হিচাপে তিনিবাৰকৈ নিৰ্বাচিত হৈছিল। ৰাজনীতিত পূৰ্ণকালীনভাৱে নামি পৰাৰ পূৰ্বে তেওঁ ১৯৯৬ চনৰ পৰা ২০০১ চনলৈকে গুৱাহাটী উচ্চ ন্যায়ালয়ত অধিবক্তা হিচাপে কৰ্মৰত আছিল। ৭ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীক সমাজৰত্ন বঁটা

**গুৱাহাটী ঃ** কামৰূপ জিলা সাহিত্য সভাৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা যোৱা ১৬ আগষ্টত ছয়গাঁৱত অনুষ্ঠিত হয়। কামৰূপ জিলা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰমেশ চন্দ্ৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাত কামৰূপ জিলা সাহিত্য সভাৰ আগন্তুক ৩৮ সংখ্যক বাৰ্ষিক পছৰীয়া পূৰ্ণাংগ অধিৱেশনত কামৰূপ জিলা সাহিত্য সভাই ২০২৫-২৭ বৰ্ষৰ সমাজৰত্ন বঁটা এইবেলি মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। হেমন্ত চৌধুৰীক সমাজৰত্ন বঁটাৰ বাবে অভিনন্দন জনালোঁ।




## নগাঁৱত ওলহ-মালহেৰে স্বাধীনতা দিৱস উদযাপন

### দেখা গ'ল পতাকাৰ তলত গুৰু-শিষ্যৰ সমৱেত হোৱাৰ মনোৰম দৃশ্য

**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁৱা জনতাইও বেছ উলহ-মালহেৰে এইবাৰ উদ্‌যাপন কৰে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱস। সেয়ে জিলাখনৰ আন আন ঠাইৰ লগতে পশ্চিম প্ৰান্তৰ বেবেজীয়া, জাজৰি, ৰাইদঙীয়া, চকলাঘাট, কাছমাৰী, বটদ্ৰৱা, ধিং, বেচামাৰী, টুকটুকী, জুৰীয়া, দক্ষিণপাট, ঘাঁহী, বৰক'লা, শেনছোৱা, জামুগুৰি আদি গ্ৰামাঞ্চলবোৰত পুৱাৰে পৰা উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয়। এই গ্ৰামাঞ্চলবোৰৰ বিভিন্ন শিক্ষানুষ্ঠান, বেংক, ডাকঘৰ, ব্যৱসায়িক প্ৰতিষ্ঠান, চৰকাৰী কাৰ্যালয়ৰ লগতে চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানবোৰত পুৱাৰ ভাগত ৫ পৃষ্ঠাত

## শ্ৰীশ্ৰী মা মনসা দেৱীৰ পূজাত ৰিনিকি ভূঞা শৰ্মা



**ৰমেন ভৰালী, বংশৰ ঃ** শুৱালকুছিৰ বাসত্তৰীয়া ব্ৰাহ্মণ সমাজ আৰু পছৰীয়া ৰাইজৰ উদ্যোগত আয়োজিত পৱিত্ৰ শ্ৰীশ্ৰী মা মনসা দেৱীৰ পূজাত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সহধৰ্মিনী তথা প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টৰ মুখ্য পৰিচালন সঞ্চালিকা তথা বিশিষ্ট সমাজসেৱিকা ৰিণিকি ভূঞা শৰ্মা, হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ অসম ৰাজ্যিক সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ভট্টাচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ব্যক্তিগত সহায়ক দিগন্ত শৰ্মা উপস্থিত হৈ মা মনসাৰ শ্ৰীচৰণত ৭ পৃষ্ঠাত

# মধুময় সংগীত বিদ্যালয়ত মুক্তি যোদ্ধাৰ দ্বাৰা ৰাষ্ট্ৰীয় পতাকা উত্তোলন

## লোকবাদ্য ‘ঢোল’ৰ আনুষ্ঠানিক পাঠ্যক্ৰমৰ শুভাৰম্ভ



**কালুগাঁও ঃ** শিৱসাগৰ জিলাৰ দিকচুস্থিত মধুময় সংগীত বিদ্যালয়ত মধুময় ৱেলফেয়াৰ ছ’চাইটিৰ উদ্যোগত ভাৰতৰ ৮০ সংখ্যক স্বাধীনতা দিৱসটি অতি উলহ-মালহেৰে গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত হয়। মধুময় সংগীত বিদ্যালয়, মধুময় চিত্ৰকলা কেন্দ্ৰ আৰু মধুময় যোগ আৰু ক্ৰীড়া একাডেমীৰ পৰিচালনাৰ দায়িত্বত থকা, শিক্ষা সংস্কৃতি আৰু সমাজ কল্যাণৰ বাবে কৰ্মৰত ৱেলফেয়াৰ ছ’চাইটিখনৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে স্বাধীনতা সংগ্ৰমত অংশগ্ৰহণ কৰি দেশ স্বাধীন কৰা তথা পৰৱৰ্তী সময়ত অসম চৰকাৰৰ পৰা তাম্ৰফলকসহ চৰকাৰী স্বীকৃতি লাভ কৰিবলৈ সক্ষম হোৱা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ মুক্তিযোদ্ধা নৰেন গগৈয়ে। শতবৰ্ষ গৰকা গগৈয়ে পতাকা উত্তোলনৰ পাছত দিয়া বক্তব্যত স্বাধীনতা সংগ্ৰামৰ দিনবোৰৰ কথা সুঁৱৰি আৱেগিক হৈ পৰে আৰু স্বাধীনতা সংগ্ৰামত শ্বহীদ বৰণ কৰা পৃণ্যাত্মাসকললৈ শ্ৰদ্ধাঞ্জলি আগবঢ়ায়। কেইবাগৰাকীও অৱসৰী শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে অন্যান্য গণ্যমান্য ব্যক্তি, শতাধিক স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হোৱা অনুষ্ঠানতে মধুময় ৱেলফেয়াৰ ছ’চাইটিৰ তৰফৰ পৰা মুক্তি যোদ্ধা নৰেন গগৈদেৱক চেলেং গামোচা সম্বৰ্ধনা পত্ৰ ইত্যাদি অৰ্পণেৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত সমূহীয়াকৈ ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ পাছতেই কেইবাগৰাকীও স্থানীয় গণ্যমান্য ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰীয়ে স্বাধীনতা সংগ্ৰাম আৰু স্বাধীনতা দিৱসৰ ওপৰত বক্তব্য ৰাখে। উল্লেখযোগ্য যে স্বাধীনতা দিৱস অনুষ্ঠানটিৰ লগত সংগতি ৰাখি সংগীত বিদ্যালয়খনৰ ২০২৫-২৬ বৰ্ষৰ বাৰ্ষিক প্ৰমাণ-পত্ৰ বিতৰণৰ অনুষ্ঠানটিও অনুষ্ঠিত হয়। এই অনুষ্ঠানত ৩০ গৰাকীৰো অধিক ছাত্ৰ-ছাত্ৰীক সত্ৰীয়া নৃত্য, ঢোল আৰু সৃষ্টিশীল নৃত্য বিষয়ৰ বিভিন্ন পাঠ্যক্ৰমৰ উত্তীৰ্ণৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে এই অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি অভিভাষণত ছ’চাইটিৰ সভাপতি দীপক গগৈয়ে জানিবলৈ দিয়ে যে ‘ঢোল’ এক সুশৃংখলিত পাঠ্যক্ৰম আৰু পৰীক্ষা ব্যৱস্থাৰ মাজেৰে আৰু বৰ্ষজোৰা নিয়মীয়া শিক্ষা প্ৰদানেৰে অসমৰ অন্যতম লোকবাদ্য ঢোল বিষয়ত আনুষ্ঠানিক ‘ছাৰ্টিফিকেট’, ‘ডিপ্লোমা’ আদি প্ৰদান কৰাৰ ক্ষেত্ৰত মধুময় ৱেলফেয়াৰ ছচাইটিৰ এই পদক্ষেপ সমগ্ৰ অসমৰ ভিতৰতে প্ৰথম তথা অভূতপূৰ্ব পদক্ষেপ। তেওঁ আৰু জানিবলৈ দিয়ে যে অসমীয়াৰ বাপতিসাহোন বিহু আৰু ঢোল শিক্ষাক অনুষ্ঠানিক ৰূপ দিয়াৰ মানসেৰে অসমীয়া সংস্কৃতিৰ সংৰক্ষণ আৰু উত্তৰণৰ ক্ষেত্ৰত সমৰ্পিত ছ’চাইটিখনৰ তত্বাৱধানত এটি বিশেষজ্ঞ দলৰ দ্বাৰা মুঠ ৮ বছৰীয়া এটি ঢোল পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ কাম চলি আছে আৰু ইতিমধ্যেই প্ৰথম তিনিটাবৰ্ষৰ পাঠ্যক্ৰম প্ৰস্তুত কৰি শিক্ষা প্ৰদান কৰি থকা হৈছে। তদুপৰি উক্ত পাঠ্যক্ৰমৰ প্ৰত্যক্ষ চৰকাৰী স্বীকৃতি আৰু অনুমোদনৰ বাবে Societies Registration Act 1860 ৰ অধীনত ইতিমধ্যেই পঞ্জীয়নভূক্ত ছ’চাইটিখনে বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিছে বুলি তেওঁ উল্লেখ কৰে। শেষত তেখেতে ছাৰ্টিফিকেট লাভ কৰিবলৈ সক্ষম হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে ছ’চাইটিৰ উপ-সভাপতি নিতু গগৈৰ পৌৰহিত্যত অনুষ্ঠিত প্ৰমাণ-পত্ৰ বিতৰণ অনুষ্ঠানটোত সংগীত বিদ্যালয়খনৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ গগৈ, বিশিষ্ট সাংস্কৃতিক কৰ্মী দুৰ্গেশ্বৰ দত্ত, প্ৰবীন বিহুৱা জীৱকান্ত গগৈ, প্ৰসিদ্ধ বিহু-বিচাৰক পংকজ চেতিয়া, দিপেন শইকিয়া, শিক্ষক ৰামেশ্বৰ বৰুৱা, নিতুল বড়া আদি উপস্থিত থকাৰ লগতে শতাধিক স্থানীয় ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক-অভিভাৱিকাসকল উপস্থিত থাকে।

# মফচলীয়া সাংবাদিক সংগঠন আপকুৰ বিশ্বনাথ জিলা সমিতিৰ হৈ নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাক অভিনন্দন



**চন্দন শৰ্মা, তেজপুৰ ঃ** আসাম প্ৰেছ কৰেছপণ্ডেন্টছ ইউনিয়ন চমুকৈ আপকুৰ বিশ্বনাথ জিলা সমিতিয়ে দেওবাৰে নদুৱাৰ বিধানসভা সমষ্টিৰ বিধায়ক তথা চতিয়া ৰত্ন পদ্ম হাজৰিকাক আনুষ্ঠানিকভাৱে আদৰণি ও অভিনন্দন জনায়। আপকুৰ সঁজাতি দলটিয়ে বিধায়ক গৰাকীক কণ্যকা বহুমুখী কৃষি পামৰ বাসগৃহত উপস্থিত হৈ এখনি ফুলাম গামোচাৰে আপকুৰ এটি স্মাৰক আৰু সম্বৰ্ধনা পত্ৰ প্ৰদান কৰে জিলা সভাপতি সৌৰভ হাজৰিকাই। অনুষ্ঠানটি আঁত ধৰে আপকুৰ জিলা সমিতিৰ সাধাৰণ সম্পাদিকা ত্ৰিবেণী বৰা আৰু সমিতিৰ উপ-সভাপতি ৰূপজ্যোতি শইকীয়াই। ইয়াৰ পিছতে বিধায়ক গৰাকীয়ে বিশ্বনাথ জিলা আপকুৰ বিষয়ববীয়া তথা সদস্য বৃন্দক ধন্যবাদ জনাই আপকু সমিতিখনে অনাগত দিনত সামাজিক ক্ষেত্ৰত সততাৰে কাম কৰি যাবলৈ আহ্বান জনায়। অনুষ্ঠানত আপকু সভাপতি সৌৰভ হাজৰিকা, উপ-সভাপতি ৰূপজ্যোতি শইকীয়া, সুৰঞ্জন গগৈ, সম্পাদিকা ত্ৰিবেণী বৰা, সহকাৰী সম্পাদক পৱন কুমাৰ যোশী, সাংগঠনিক সম্পাদক চহিদুল ইচলাম, ছইদুল ইছলাম কাৰ্যকৰী সদস্য কৰণ শইকীয়া আৰু চানু মৰম বাউৰী উপস্থিত থাকে।

# অসম সাহিত্য সভাই শিৱসাগৰ-চৰাইদেউত বান আক্ৰান্ত শিক্ষাৰ্থীক শিক্ষণ সামগ্ৰী বিতৰণ



**ৰমেন ভৰালী, বংশৰ ঃ** ‘জাতীয় জীৱনৰ বিপদৰ সন্ধিক্ষণত অসম সাহিত্য সভাই ৰাইজৰ কাষত সদায় ঠিয় হৈ আহিছে। ইতিমধ্যে অসম সাহিত্য সভাৰ সভাপতি ড° বসন্তকুমাৰ গোস্বামী, উপ-সভাপতি পদুম ৰাজখোৱা আৰু মূল সভাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই সম্প্ৰতি উজনি অসমৰ প্ৰলয়ংকৰী বানত ক্ষতিগ্ৰস্ত হোৱা গোলাঘাট, যোৰহাটৰ উপৰি গভীৰভাৱে ক্ষতিগ্ৰস্ত হোৱা শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানত আক্ৰান্তসকলৰ কাষত শাখা সভা, জিলা সভা আৰু মূল সভাৰ বিষয়ববীয়াসকলৰ তৰফৰ পৰা সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়াই আহিছে। সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই এক বিজ্ঞপ্তিযোগে জানিবলৈ দিয়া মতে সভাৰ গোলাঘাট, যোৰহাট, দৰং, ওডালগুৰি, গোৱালপাৰা, তিনিচুকীয়া, লক্ষীমপুৰ আদি জিলা সভাৰ উপৰি বিভিন্ন শাখা সভাই বানত আক্ৰান্তসকলক সহায়ৰ হাত আগবঢ়াইছে।’ যোৱা ১৬ আগষ্টত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱা, প্ৰধানসম্পাদক দেৱজিৎ বৰা, কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড° জ্যোতিৰেখা হাজৰিকা, ড° ভূপেন হাজৰিকা সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ আহ্বায়ক নুৰুল চুলতান, প্ৰকাশন উপ-সমিতিৰ আহ্বায়ক ড° ৰঘুনাথ কাগয়ুং, লোক পৰিৱেশ্য কলা সমিতিৰ আহ্বায়ক চৈয়দ মাৰুফ হুছেইন, অসম সাহিত্য সভাৰ খবৰৰ সম্পাদক ৰিয়াৰাণী দত্ত, শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকন, উপ-সভাপতি ড° জীৱন কলিতা, সম্পাদক মনোজ কুমাৰ গগৈ, অৰুণ কলিতা, অনন্ত বৰুৱা, মনোজ দত্ত, শ’লগুৰি শাখা সাহিত্য সভাৰ সভাপতি পৱিত্ৰপ্ৰাণ ভট্টাচাৰ্য, চৰাইদেউ জিলা সাহিত্য সভাৰ সভাপতি মুকুট বুঢ়াগোহাঁই, উপ-সভাপতি বীৰেণ চেতিয়া, সম্পাদক বিপুল বৰুৱা, সোণাৰি শাখা সাহিত্য সভাৰ সভাপতি পাপৰি গগৈ, সম্পাদক ৰূপাঞ্জলি হাজৰিকা, যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মিতালী শইকীয়া, যোৰহাট জিলা সাহিত্য সভাৰ ‘আকাশ’ৰ আহ্বায়ক জীনামণি গগৈ নেওগ আৰু সাহিত্য সভাৰ বিভিন্ন পৰ্যায়ৰ কৰ্মকৰ্তা, শুভাকাংক্ষী, সভাৰ গুণমুগ্ধসকলৰ উপস্থিতিত শিৱসাগৰ জিলাৰ কালুগাঁও খৰাগড়স্থিত বামুণবাৰী প্ৰগতি মধ্য ইংৰাজী বিদ্যালয়ত সমগ্ৰ অঞ্চলটোৰ বানত ক্ষতিগ্ৰস্ত হোৱা ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ বাবে প্ৰয়োজনীয় ভিন্ন শিক্ষণ সামগ্ৰী বিতৰণ কৰা হয়। ইফালে সাহিত্য সভাৰ প্ৰতিনিধি দলটোৱে চৰাইদেউ জিলাৰ বান অধ্যুষিত অঞ্চল চলাপথাৰ নামঘৰৰ চৌহদত অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন শিক্ষণ সামগ্ৰী বিতৰণ কৰে। মূল সভাই সংগ্ৰহ কৰি নিয়া বিভিন্ন শিক্ষণ সামগ্ৰী শিৱসাগৰ জিলা, চৰাইদেউ জিলা আৰু যোৰহাট জিলা সাহিত্য সভাৰ কৰ্মকৰ্তাসকলৰ হাততো অৰ্পণ কৰে। জিলা সভাই স্থানীয় শাখা সাহিত্য সভাৰ সহযোগত শিক্ষাৰ্থীসকলক বিতৰণ কৰিবলৈ প্ৰধানসম্পাদকে বিজ্ঞপ্তিখনত আহ্বান জনায়। উল্লেখ্য যে সাহিত্য সভাই জনোৱা আহ্বান মৰ্মে গুৱাহাটী বাঘৰবৰীৰ চেমৰক স্কুলকে ধৰি বহুসংখ্যক সংগঠনে শিক্ষণ সামগ্ৰী আগবঢ়ায়।

# নগাঁৱৰ এক্সেলেন্স টাইকোৱাণ্ডো একাডেমিয়ে আয়োজন কৰা প্ৰশিক্ষণ শিৱিৰৰ সফল সামৰণি



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ ফৌজদাৰীপট্টিৰ গুৰুদ্বাৰ ৰোডত অৱস্থিত এক্সেলেন্স টাইকোৱাণ্ডো একাডেমিয়ে দহ দিনীয়াকৈ আয়োজন কৰা টাইকোৱাণ্ডো প্ৰশিক্ষণ শিৱিৰ সফলতাৰে সম্পন্ন হৈ যায়। আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ টাইকোৱাণ্ডো প্ৰশিক্ষক আমিৰ খানে নগাঁৱৰ ভিন্ন প্ৰান্তৰ পৰা অহা প্ৰায় ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ প্ৰদান কৰে। ইপিনে প্ৰশিক্ষণ শিৱিৰত নগাঁও জিলাৰ ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসে উপস্থিত থাকি কয়- টাইকোৱাণ্ডো খেলৰ লগতে আন খেলসমূহো যদি ছাত্ৰ-ছাত্ৰীসকলে একান্ত মনে অনুশীলন কৰে তেনেহ’লে ৰাষ্ট্ৰীয় আৰু আন্তৰাষ্ট্ৰীয় পৰ্যায়ত সুন্দৰ স্থান দখল কৰিব পাৰিব। আৰু চৰকাৰী চাকৰি লাভ কৰিব যে সেইটো খাটাং। সেয়ে স্কুলীয়া পাঠ্যক্ৰমৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰীসকলে খেলা-ধূলাতো আগবঢ়াই লৈ যাব লাগে বুলি সমগ্ৰ নগাঁৱৰ ক্ৰীড়াপ্ৰেমীসকললৈ এক বাৰ্তা প্ৰেৰণ কৰে। আনহাতে প্ৰশিক্ষণ শিৱিৰত প্ৰশিক্ষণপ্ৰাপ্ত সকলো ছাত্ৰ-ছাত্ৰীক উচ্ছাস- উদ্দীপনা জগাই তোলাৰ স্বাৰ্থত একোখনকৈ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। উল্লেখ্য যে এক্সিলেণ্ট একাডেমীৰ প্ৰতিষ্ঠাপক তথা নগাঁও জিলাৰ টাইকোৱাণ্ডো সন্থাৰ সম্পাদক অংকুৰ বৰাৰ নেতৃত্বত আয়োজন কৰা এই প্ৰশিক্ষণ শিৱিৰ সামৰণি অনুষ্ঠানত নগাঁও জিলাৰ টাইকোৱাণ্ডো কাৰ্যকৰী সভাপতি সিদ্ধাৰ্থ শংকৰ ফুকন, উপ-সভাপতি মছিন আহমেদ, কাৰিকৰী নিৰ্দেশক জয়প্ৰকাশ শৰ্মা, সহকাৰী কাৰিকৰী নিৰ্দেশক ৰোহিত কুমাৰ হৰিজন, বিশিষ্ট প্ৰশিক্ষক বিশ্বজিৎ দাস উপস্থিত থকাৰ লগতে নগাঁও জিলা টাইকোৱাণ্ডো সন্থাৰ ভালেসংখ্যক কৰ্মকৰ্তা আৰু অভিভাৱকসকল উপস্থিত থাকে।

# ড° দয়ানন্দ পাঠক ঃ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষৰ পৰা বৌদ্ধিক জগতলৈ



■ পৰেশ বৈশ্য

শিক্ষাবিদ, সাহিত্যিক, সমালোচক তথা শংকৰী সাহিত্যৰ সাধক ড° দয়ানন্দ পাঠক অসমৰ বৌদ্ধিক সমাজৰ এটি সুপৰিচিত নাম। কুৰি শতিকাৰ শেষাৰ্ধত আৰু একৈশ শতিকাৰ প্ৰথম ভাগত অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰা অসমীয়াসকলৰ ভিতৰত ড° দয়ানন্দ পাঠক নিঃসন্দেহে লেখত ল'বলগীয়া। বিগত প্ৰায় চাৰিটা দশকধৰি বিশেষকৈ অসমৰ উচ্চ শিক্ষাৰ উত্তৰণৰ হকে তেখেতে মাৰ্গদৰ্শন দি আহিছে। মূলতঃ ইংৰাজী সাহিত্যৰ ছাত্ৰ হৈয়ো তেখেতে অসমীয়া ভাষা-সাহিত্যৰ জগতখনলৈও অভুতপূৰ্ব বৰঙণি যোগাইছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনা সম্ভাৰক লৈ গৱেষণা কৰাৰ উপৰিও তেখেতে গুৰুদুজনাৰ জীৱন দৰ্শন আৰু নাটক আদিক ইংৰাজীলৈ তৰ্জমা কৰি বিশ্বৰ বুকুত পৰিচয় কৰাই দি মহৎ কাৰ্য সাধিত কৰিছে। আনকি জ্যোতি প্ৰসাদ আগৰৱালাৰ কেইখাননো নাটক তেখেতে ইংৰাজীত অনুবাদ কৰিছে। জীৱনটোক সকলো সময়তে বৌদ্ধিক কামত সংপৃক্ত কৰি ৰখা ড° পাঠকে অসমৰ জাতীয় জীৱনৰ সংকট কালত, জাতীয় সমস্যা সমাধানৰ ক্ষেত্ৰত সদায় বলিষ্ঠ মাৰ্গদৰ্শন দি অসমীয়া জাতিক সাহস যোগাই আছে।

পৰিৱৰ্তনত বিশ্বাসী ড° পাঠক কোনো বিশেষ ৰাজনৈতিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত নহয়। তেখেত এগৰাকী আপেক্ষিকতাবাদত বিশ্বাসী লোক। যিকোনো ৰাজনৈতিক আদৰ্শৰ বা দলৰ জনহিতৈষী সেৱাক প্ৰশংসা কৰা আৰু জনবিৰোধী কামৰ বিৰোধিতাৰে তেখেতৰ ৰাজনৈতিক দৰ্শন পৰিচালিত। সেয়ে কোনো ৰাজনৈতিক দলকেই তেখেতে বৈৰী বা মিত্ৰ বুলি স্থিতিত অটল নাথাকে। তেখেতে বিশ্বাস কৰে যে যিটো আজি গ্ৰহণযোগ্য সেইটো কাইলৈ বৰ্জনীয় হ'ব পাৰে। তেখেত এগৰাকী নিৰহংকাৰী, সদালাপী ব্যক্তি।

ড° দয়ানন্দ পাঠকে অসম অসামৰিক সেৱাৰ (ACS) চাকৰি এৰি আহি ১৯৮৩ চনৰ ২০ জুনত হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰে। তেওঁ অধ্যক্ষৰ উপৰিও মহাবিদ্যালয়খনৰ ইংৰাজী বিভাগৰ অধ্যাপক হিচাপেও সেৱা আগবঢ়াইছিল। তেওঁ যেতিয়া সুৰেন দাস মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰে তেওঁৰ মাহিলী দৰমহা আছিল মাত্ৰ এহেজাৰ টকা। ১৯৮৬ চনলৈকে তেওঁ মাহে এহেজাৰ টকা দৰমহাত অধ্যক্ষৰ দায়িত্ব চম্ভালিছিল। ১৯৭৯ চনত স্থাপিত উক্ত মহাবিদ্যালয়খন তেখেতে প্ৰচেষ্টাতেই ১৯৮৭ চনৰ পহিলা জানুৱাৰীৰ পৰা ডেফিছিট হয় (যাক সহজ অৰ্থত চৰকাৰীকৰণ হোৱা বুলি ক'ব পাৰি)। গতিকে সেই তাৰিখৰ পৰা তেওঁ চৰকাৰী নিৰ্দ্ধিত দৰমহা পায়। তেওঁ অৱশ্যে অৱসৰৰ সময়লৈকে এই মহাবিদ্যালয়খনত অধ্যক্ষ হিচাপে নাথাকিল। ২০০১ চনৰ ১৮ জুনৰ পাছত তেওঁ গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰে। তেওঁ প্ৰায় ওঠৰ বছৰ কাল সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদত অধিষ্ঠিত হৈ আছিল। মহাবিদ্যালয়খন স্থাপনৰ প্ৰায় চাৰি বছৰমান পাছত সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোগদান কৰা ড° পাঠক হ'ল মহাবিদ্যালয়খনৰ প্ৰথমগৰাকী নিয়মীয়া অধ্যক্ষ।

তেখেতে মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাপে যোগদান কৰাৰ সময়ত সুৰেন দাস মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ চলিছিল হাজো SBSKR উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত। পাছত বৰ্তমানৰ স্থানলৈ স্থানান্তৰিত কৰা হয়। স্থানান্তৰিত কৰাৰ সকলো কামতেই তেখেতে গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। তেওঁৰ নিযুক্তিৰ সময়ত মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সম্পাদক আছিল ক্ৰমে ক্ষিতিশ মেধি আৰু ভূপেশ মালাকাৰ। তেওঁ সুৰেন মহাবিদ্যালয়ৰ অধ্যক্ষৰ সময়ছোৱাতেই মহাবিদ্যালয়খন চৰকাৰীকৰণ হোৱাৰ কথাটো ইতিমধ্যে উল্লেখ কৰিছো। এইটো তেওঁৰ কাৰ্যকালৰ এক বৃহৎ সফলতা। ইয়াৰ আগতেও তেখেতে মহাবিদ্যালয়খনত বিজ্ঞান শাখা মুকলি কৰাৰ বাবে হাজো গাঁও পঞ্চায়ত সমবায় সমিতি লিমিটেডৰ সহযোগত পুঁজি সংগ্ৰহত আগভাগ লৈছিল। আনকি তাৰ বাবে থিয়েটাৰ পৰ্যন্ত মাতিছিল। বৰ্তমান যি ঠাইত মহাবিদ্যালয়খন আছে, সেই মাটি মূলতঃ ধোপৰগুৰি সত্ৰৰ। কিন্তু ড° পাঠকে অধ্যক্ষৰ কালছোৱাত নিজে উদ্যোগ লৈ মহাবিদ্যালয়খনৰ বাবে অতিৰিক্ত চাৰি বিঘা চৰকাৰী মাটি আবণ্টন লৈছিল। তেওঁৰ কাৰ্যকালতেই মহাবিদ্যালয়খনৰ পুথিভঁৰালটোক এক পূৰ্ণাংগ ৰূপ দিছিল। ভালেমান বিষয়ত অনাৰ্ছ খুলিছিল। তেখেতৰ কাৰ্যকালতেই প্ৰয়াত সুৰেন দাসৰ পৰিয়ালৰ লগত যোগাযোগ কৰি পৰিয়ালৰ অৰ্থ সাহায্যৰে মহাবিদ্যালয়খনৰ দুমহলীয়া আৰচিচি বিল্ডিংটো নিৰ্মাণ কৰা হয়। সুৰেন দাস মহাবিদ্যালয়ৰ পূৰ্বৰ নাম আছিল হাজো আঞ্চলিক মহাবিদ্যালয়। কিন্তু সুৰেন দাসৰ পৰিয়ালৰ আৰ্থিক সাহায্য লাভৰ পাছত ৰাইজে মহাবিদ্যালয়খনৰ নাম সুৰেন দাস মহাবিদ্যালয় ৰাখে। তেওঁৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ ডিগ্ৰী পৰ্যায়ত দুটা নতুন বিষয় আৰম্ভ কৰিছিল। এটা হ'ল ভাষা বিজ্ঞান আৰু আনটো হ'ল লোক-সংস্কৃতি। সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ কোনো মহাবিদ্যালয়ত ডিগ্ৰী পৰ্যায়ত এই দুটা বিষয় আৰম্ভ কৰা নাছিল। উক্ত বিষয় দুটা ডিগ্ৰী পৰ্যায়ত আৰম্ভ কৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ প্ৰথমখন মহাবিদ্যালয় হ'ল হাজোৰ সুৰেন দাস মহাবিদ্যালয়। তেখেতৰ কাৰ্যকালৰ আন এটা স্মৰণীয় কথা হ'ল বৰ্তমানৰ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ কাৰ্যকালতেই কটন কলেজ এৰি আহি হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ প্ৰাক বিশ্ববিদ্যালয় কলা শাখাত নামভৰ্তি কৰিছিল। সুৰেন দাস মহাবিদ্যালয়ৰ পৰাই কলা শাখাত তেওঁ প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হয়। গতিকে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মা হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।

হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰাৰ পুৰ্বে তেখেতে বৰপেটা জিলাৰ বাঘবৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। সেই চাকৰি এৰি তেওঁ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হয়। ইংৰাজ বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীৰ চূড়ান্ত পৰীক্ষা দি উঠিয়েই তেখেতে প্ৰায় এবছৰ কাল মাহে ৬০ টকা দৰমহাত চেঙাৰ মধ্য কামৰূপ মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰিছিল। পাছত তেওঁ সৰভোগত অৱস্থিত জুৰোৱাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মাহে ৩০০ টকা দৰমহাত ইংৰাজীৰ বিষয় শিক্ষক হিচাপে প্ৰায় ৭ মাহ মান চাকৰি কৰে। পাছত তেওঁ এচিএছ পোৱাত চাকৰি স্কুলৰ এৰি যায়। ড° দয়ানন্দ পাঠকে প্ৰায় ১৮ বছৰকাল হাজোৰ সুৰেন দাস মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে সেৱা আগবঢ়াইছিল যদিও এই মহাবিদ্যালয়ৰ পৰা চাকৰি এৰি গুৱাহাটীৰ প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে যোৱাৰ সময়ত সুৰেন দাস মহাবিদ্যালয় কৰ্তৃপক্ষই যথোচিত বিদায় সম্ভাষণ নজনালে। হয়তো সেই দুখটো তেখেতৰ থাকি গ'ল।

এইগৰাকী বিশিষ্ট শিক্ষাবিদৰ পিতৃ সৰ্বানন্দ পাঠক বৰপেটাৰ যদিও ৰে'ল বিভাগত চাকৰি কৰা সূত্ৰে আমিনগাঁৱত আছিল। আমিনগাঁৱতেই ১৯৫১ চনৰ পহিলা ফেব্ৰুৱাৰীত দয়ানন্দ পাঠকৰ জন্ম হয়। তেখেতৰ মাক পাৰ্বতীপ্ৰিয়া পাঠক আছিল গুৱালকুছীয়া। দয়ানন্দ পাঠকে আমিনগাঁৱতেই ৬২ নং আমিনগাঁও প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰে। তেখেতে আমিনগাঁৱৰ তেতিয়াৰ শৰাইঘাট মধ্য ইংৰাজী বিদ্যালয়তো পঢ়ে। পাছত তেখেতে বৰপেটাৰোডৰ গোপীনাথ বৰদলৈ হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। তেখেতে প্ৰাক বিশ্ববিদ্যালয়ৰ শিক্ষা বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পৰা লাভ কৰে। পাছত তেখেতে কটন কলেজৰ পৰা ইংৰাজী বিষয়ত অনাৰ্ছ সহ বি.এ পৰীক্ষা পাছ কৰে। ১৯৭২ চনত তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেখেতে প্ৰথমতে পিএইছডি ডিগ্ৰীৰ বাবে এলাহাবাদ বিশ্ববিদ্যালয়ত অধ্যয়ন কৰে যদিও গাইডৰ সমস্যাই দেখা দিয়াত শেষত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই ১৯৮৩ চনত পিএইছডি ডিগ্ৰী লাভ কৰে। তেখেতৰ গৱেষণাৰ বিষয় আছিল ঃ দ্য ৰিলিজিয়াচ আইডিয়াজ অব জৰ্জ বাৰ্ণাড শ্ব। তেখেতে ১৯৯৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক ডিগ্ৰীও লাভ কৰে।

ড° দয়ানন্দ পাঠকে ২০১১ চনত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ পৰা অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছত তেখেতে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা হিচাপেও নাম পঞ্জীয়ন কৰে। তেখেতে অৱসৰৰ পাছত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শংকৰদেৱ অধ্যয়নৰ প্ৰথমগৰাকী অধ্যাপক হিচাপে সেৱা আগবঢ়ায়। তেখেতে মেঘালয়ৰ ইউনিভাৰ্চিটি অৱ ছায়েন্স এণ্ড টেকন'লজীৰো ইংৰাজীৰ অধ্যাপক হিচাপে সেৱা আগবঢ়াইছিল। অতি সম্প্ৰতি তেখেতে চণ্ডীগড়ৰ পঞ্জাব বিশ্ববিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন চেয়াৰৰ ভিজিটিং প্ৰফেচাৰ হিচাপে সেৱা আগবঢ়াই আছে। চাকৰিকালত আৰু অৱসৰৰ পাছতো তেখেতে এগৰাকী গৱেষক পণ্ডিত হিচাপে নিজৰ দায়িত্ব পালন কৰি আহিছে। তেখেতৰ অধীনত প্ৰায় বিশ জনে পিএইছডি ডিগ্ৰী আৰু এম.ফিল ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে।

ড° পাঠক ইংৰাজী সাহিত্যৰ ছাত্ৰ যদিও অসম ভাষা বিজ্ঞান সমিতিৰ লগতো জড়িত। তেখেতে অসম ভাষা বিজ্ঞান সমিতিৰ সম্পাদক, সভাপতিৰ পদ অলংকৃত কৰি অসমীয়া ভাষা চৰ্চাৰ এক পৰিৱেশ সৃষ্টি কৰাত অৰিহণা যোগাইছে। তেখেতে অসম সাহিত্য সভাৰ পত্ৰিকাখনৰো ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ দুটা কালৰ বাবে সম্পাদকৰ দায়িত্ব সফলতাৰে চম্ভালি মুঠ আঠটা সংখ্যা সম্পাদনা কৰে। তেখেত পত্ৰিকা সম্পাদক থকা সময়ছোৱাত অসম সাহিত্য সভা সভাপতিৰ আসন শুৱনি কৰিছিল ড° ভূপেন হাজৰিকা আৰু লক্ষ্যধৰ চৌধুৰীয়ে।

ড° পাঠক এগৰাকী সাংবাদিকো। তেখেতে সাপ্তাহিক 'অসমীয়া বৰ্তমান'ৰ মুখ্য সম্পাদক। তেখেত 'দ্য নিউজ প্লাছ' নামৰ ছেটেলাইট চেনেলটোৰো সম্পাদনা উপদেষ্টা। ইয়াৰ উপৰিও আন কেইবাজনো কাকত-আলোচনী সম্পাদনা অক্ষৰ সৈতে তেখেত জড়িত। অসমৰ আগশাৰীৰ প্ৰায়ভাগ নিউজ চেনেলত এগৰাকী আলোচক হিচাপে তেখেতে সেৱা আগবঢ়াই আহিছে।

তেখেতে হাজোৰ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ হৈ থকা সময়তেই ১৯৮৩ চনত লক্ষ্মী দাসৰ সৈতে বিবাহপাশত আবদ্ধ হয়। তেখেত এগৰাকী কন্যা আৰু এটি ল'ৰা সন্তানৰ পিতৃ।

ড° পাঠকে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতেই গ্ৰন্থ ৰচনা কৰি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তেখেতে ৰচনা কৰা ইংৰাজী গ্ৰন্থসমূহ হ'ল ঃ George Bernard Shaw. His Religion and Values, Jyoti Prasad Agarwalla.Man and Mission, Profile of a Saint. Sri Sri Madhabdeva, Srimanta Sankardev. The Great Master, All for Assamese Language. Lives and Studies, Two eminent Linguists ( Prof G.CGoswami & Prof U.N Goswami), Beautiful Mind of Srimanta Sankardeva, Playwright Peacher Sankardeva. His Plays, Madhabdeva and His Plays,Apostles of Assam Vaisnavism. The Atapurushas, A Heap of Broken Images, Patterns of Thoughts, Poet-Playwright Sankardeva. Life and Legacy, Destination Hajo, Barpeta. A Bird's Eye View, Hajo. A Heritage, A Short History of Assamese Literature. তেখেতে আলফাৰ উত্থানক বিষয় হিচাপে লৈ Tales of a Dying River নামৰ ইংৰাজী উপন্যাস লিখিছে। তেখেতে কেইবাখনো ইংৰাজী গ্ৰন্থ সম্পাদনা কৰিছে। সেইকেইখন হ'ল ঃ Creative Vision. Essays on Sankardeva and Neo Vaisnava Movement in Assam( co- editor), Bhakti Movement and Srimanta Sankardeva( chief editor), Pickings from Cottonian( co-editor). তেখেতে এতিয়ালৈকে পাঁচখন ইংৰাজীত লিখা কবিতাপুথি প্ৰকাশ কৰিছে। সেইকেইখন হ'ল ঃ Coral Island, The Golden Deer, Between Fire and Snow, The Pedestrian Looks Back আৰু Magic Edifice. ড° পাঠকৰ ইংৰাজী কবিতাসমূহৰ ওপৰত আন্তৰ্জাতিক পৰ্যায়ৰ গৱেষণা পত্ৰিকা কেইখনমানত সুন্দৰ আলোচনা হৈছে।

ড° পাঠকে অসমীয়া ভাষাতো কেইবাখনো মূল্যবান গ্ৰন্থ লিখি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। সেইসমূহ হ'ল ঃ প্ৰাচ্য আৰু পাশ্চাত্য সাহিত্যত এভুমুকি, আধুনিক ইংৰাজী নাট্য সাহিত্যৰ ৰূপৰেখা, অসমীয়া নাটক আৰু পাশ্চাত্য প্ৰসংগ, সাহিত্য পৰিক্ৰমা, সাহিত্য সমন্বয়, সাহিত্য ঃ প্ৰাচ্য আৰু পাশ্চাত্য, ট্ৰেজেদি ঃ উদ্ভৱ আৰু বিৱৰ্তন, সমন্বয় তীৰ্থ ঃ হাজো, সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা আদি। তেখেতে শিশুসকলৰ বাবে তিনিখন গ্ৰন্থ লিখিছে। ঈশ্বৰৰ সন্ধানত সৰু ছোৱালীজনী, মুক্ত দেশৰ কথা আৰু গোপীনাথ বৰদলৈ তেখেতৰ শিশু উপযোগী গ্ৰন্থ।

ড° পাঠকে অনুবাদ সাহিত্যলৈও অনবদ্য অৱদান আগবঢ়াইছে। তেখেতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ছয়খন নাটক আৰু মাধৱদেৱৰ ন খন নাটক ইংৰাজীলৈ অনুবাদ কৰি গুৰু দুজনাৰ সৃষ্টিৰাজিক জগত সভালৈ নিছে। তাৰ বাবে অসমীয়া জাতি তেখেতৰ ওচৰত কৃতজ্ঞ হোৱা উচিত। তেখেতে জ্যোতি প্ৰসাদ আগৰৱালাৰ কাৰেঙৰ লিগিৰী, লভিতা আৰু ৰূপালীম নাট কেইখনো ইংৰাজীলৈ তৰ্জমা কৰি মহৎ কাম কৰিছে। ইংৰাজী সাহিত্যৰ

৭ পৃষ্ঠাত

# অসম ৰাজ্যিক সাংবাদিক সন্থাৰ গোলাঘাট জিলা সমিতিৰ দ্বিতীয় ত্ৰিবাৰ্ষিক অধিৱেশন সম্পন্ন



**মৃদুস্মিতা শৰ্মা, বোকাখাত ঃ** অসম ৰাজ্যিক সাংবাদিক সন্থাৰ গোলাঘাট জিলা সমিতিৰ দ্বিতীয় ত্ৰি-বাৰ্ষিক অধিৱেশন ২০২৬, বোকাখাত মিছিং জিৰণি চ'ৰাত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। ৯ আগষ্টত অনুষ্ঠিত আলোচনাচক্ৰ আৰু মুকলি সভাৰ সভাপতিত্ব কৰে সন্থাৰ সভাপতি পৰাগ বৰুৱাই। সভা উদ্বোধন কৰে অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱাই, সভাৰ আঁত ধৰে সম্পাদক পৱন কামানে। সভাত অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সম্পাদক প্ৰদীপ কুমাৰ ডেকা, সহঃসম্পাদক পলিমা চেতীয়া বসুমতাৰী, গোলাঘাট প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি দিগন্ত কুমাৰ ভূঞা, বালিজান চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক অনন্ত বড়ি, বোকাখাত সমজিলা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত প্ৰয়াত বিমল আগৰৱালাৰ সহধৰ্মিনী, মিছিং স্বায়ত্ত শাসিত পৰিষদৰ সদস্য সুধিৰ মৰাং, বোকাখাত প্ৰেছক্লাবৰ সভাপতি ভৱানন্দ কলিতা, বোকাখাত মহকুমা সাংবাদিক সন্থাৰ সভাপতি বুবুল দত্ত উপস্থিত থাকে। আলোচনাচক্ৰত 'ডিজিটেল মাধ্যমৰ যুগত গ্ৰাম্য সাংবাদিকতা ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা' শীৰ্ষক আলোচনাচক্ৰ মুখ্য আলোচক কমাৰগাঁও মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° গায়ত্ৰী কাকতি বৰাই গ্ৰাম্য সাংবাদিকতা ছপা মাধ্যম সাংবাদিকতাৰ সন্দৰ্ভত বক্তব্য আগবঢ়ায় আৰু আন এগৰাকী আলোচক বোকাখাত প্ৰেছ ক্লাবৰ সম্পাদক উত্তম শইকীয়াই সাংবাদিকৰ প্ৰত্যাহ্বান, সাম্প্ৰতিক কাৰিকৰী ব্যৱস্থাৰ প্ৰয়োগৰ প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। এই অনুষ্ঠানত বিশিষ্ট সাংবাদিক দ্বীপেন দত্তক গোলাঘাট সংবাদ গৌৰৱ বঁটা ২০২৬, ৰঞ্জিত ৰজকলৈ বিমল আগৰৱালা সোঁৱৰণি সংবাদ সেতু বঁটা, প্ৰতাপ গগৈলৈ সমাজকৰ্মী মালিবাম দলে সোঁৱৰণী গ্ৰাম্য সাংবাদিক বঁটা প্ৰদান কৰে। স্মৃতিগ্ৰন্থ উন্মোচন কৰে অসম চৰকাৰৰ সাহিত্যিক বঁটাপ্ৰাপক মিনতি দলেই। এই অনুষ্ঠানত আদৰ্শ শিক্ষক পূৰ্ণকান্ত বৰা সোঁৱৰণি ৰচনা প্ৰতিযোগিতাৰ বিজয়ী ক্ৰমে এনিশা শইকীয়া, অংকিত বৰদলৈ, আৰু ৰঞ্জনা দাসক নগদ ধন সহ পুৰস্কাৰ প্ৰদান কৰে। ৮ আগষ্টৰ নিশা অনুষ্ঠিত হোৱা প্ৰতিনিধি সভা উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক বুবুল দত্তই। অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সভাপতি জিতু শৰ্মা ৰাজখোৱা, সম্পাদক প্ৰদীপ ডেকাৰ উপস্থিতি, কেন্দ্ৰীয় সমিতিৰ তিনিগৰাকী পৰ্যবেক্ষকৰ উপস্থিতি অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাই সোণেশ্বৰ বাৰ্টেক সভাপতি, পৱন কামানক সম্পাদক হিচাপে লৈ নতুন জিলা সমিতি গঠন কৰে। মুকলি সভাত বিভিন্ন জাতীয় সংগঠন, বোকাখাতৰ সাংস্কৃতিক আৰু বৌদ্ধিক সংগঠনৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

# বিবাহৰ প্ৰস্তাৱক কেন্দ্ৰ কৰি বৰপেটা ৰোডত উত্তপ্ত পৰিস্থিতি

## অনাধিকাৰ প্ৰৱেশ কৰি আক্ৰমণ, গুৰুতৰভাৱে আহত মহিলা



**শালবাৰী ঃ** বিবাহৰ প্ৰস্তাৱক লৈ ওপজা সংঘাতৰ পৰিণতিত এক ভয়ংকৰ হিংসাত্মক ঘটনা সংঘটিত হৈছে বৰপেটা ৰোড আৰক্ষী থানাৰ অন্তৰ্গত ৰায়পুৰ অঞ্চলত। এটা ফৈদে ঘৰত অনধিকাৰ প্ৰৱেশ কৰি চলোৱা বৰ্বৰ আক্ৰমণত বিমলা খাতুন (৩২) নামৰ এগৰাকী মহিলা গুৰুতৰভাৱে আহত হয়। ঘটনাৰ বিৱৰণি অনুসৰি, যোৱা ২ আগষ্টত দুয়ো পক্ষৰ মাজত এক বিবাহৰ প্ৰস্তাৱ সম্পৰ্কে আলোচনা হৈছিল। কিন্তু এই আলোচনাই পৰৱৰ্তী সময়ত তীব্ৰ বাক-বিতণ্ডাৰ ৰূপ লয়। অভিযোগ অনুসৰি, ১৪ আগষ্টৰ দিনা প্ৰায় দুপৰীয়া ১২.৩০ বজাত প্ৰথম পক্ষৰ সদস্যসকলে অভিযোগকাৰীৰ ১৫ বছৰীয়া কন্যাসন্তানক বাটত আগচি ধৰি অশ্লীল গালি-গালাজ কৰাৰ লগতে অশোভনীয় আচৰণ কৰে। ইয়াৰ পাছতেই একেদিনাই বিয়লি প্ৰায় ৫ বজাত অভিযুক্তৰ এটা দলে নায়েব আলীৰ ঘৰত চোৰাংচোৱাৰ দৰে অনাধিকাৰ প্ৰৱেশ কৰি পৰিয়ালটোৰ ওপৰত অতৰ্কিতে আক্ৰমণ চলায়। এই মাৰপিটৰ ঘটনাত নায়েব আলীৰ পত্নী বিমলা খাতুন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। আহত মহিলাগৰাকীক লগে লগে বৰপেটা ৰোড এফ আৰ ইউ (FRU)ত ভৰ্তি কৰোৱা হয় যদিও অৱস্থা সংকটজনক হোৱাৰ বাবে কৰ্তব্যৰত চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে বৰপেটা চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাললৈ প্ৰেৰণ কৰে। এই ঘটনা সন্দৰ্ভত ভুক্তভোগী নায়েব আলীয়ে বৰপেটা ৰোড আৰক্ষী থানাত ১১ জন ব্যক্তিৰ বিৰুদ্ধে নামঘোষিত লিখিত এজাহাৰ দাখিল কৰিছে। এজাহাৰত উল্লেখ থকা প্ৰধান অভিযুক্তসকল হৈছে- মইনাল হক, ৰূপচান আলী, আয়নাল হক, জুলহাস আলী আৰু হাছেন আলী। ভুক্তভোগী পৰিয়ালটোৱে সমগ্ৰ ঘটনাৰ নিৰপেক্ষ তদন্ত দাবী কৰাৰ লগতে দোষীক অতি সোনকালে গ্ৰেপ্তাৰ কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী প্ৰশাসনক আহ্বান জনাইছে। আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত তদন্ত আৰম্ভ কৰিছে।

# শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ সমষ্টি ভিত্তিক বিশেষ স্বাস্থ্য শিৱিৰ সফলতাৰে সামৰণি



**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলাৰ তিনিওটা সমষ্টিৰ বিভিন্ন প্ৰান্তত বিগত ৬ আগষ্টৰ পৰা অনুষ্ঠিত হোৱা বিশেষ স্বাস্থ্য শিৱিৰৰ যোৱা ১৪ আগষ্ট শুকুৰবাৰে সফলতাৰে সামৰণি পৰে। জিলখনৰ নাজিৰা সমষ্টিৰ অন্তৰ্গত নাগালেণ্ডৰ সমীপৱৰ্তী বিহুবৰ নাট্যমন্দিৰত অনুষ্ঠিত হৈ যায় অষ্টমখন স্বাস্থ্য শিৱিৰ। এই শিৱিৰত বিহুবৰ, চন্টক আৰু নেপালীখুটি অঞ্চলৰ বহু বানপীড়িত লোকে চিকিৎসা সেৱা লাভ কৰে। শিৱসাগৰ জিলাৰ বানাক্ৰান্ত ৰাইজৰ বাবে অনুষ্ঠিত কৰা বিধানসভা সমষ্টি ভিত্তিক বিশেষ স্বাস্থ্য শিৱিৰ ৮খন ইতিমধ্যে অতি সফলভাৱে অনুষ্ঠিত হৈ যায়। প্ৰতিকূল বতৰৰ বাবে প্ৰথম দিনাৰ শিৱিৰত ৰাইজৰ সমাগম অলপ কম হৈছিল যদিও বাকীকেইখন স্বাস্থ্যমেলাত ৰাইজৰ যথেষ্ট সমাগম হয়। উল্লেখ্য যে, এই বিশেষ স্বাস্থ্য শিৱিৰসমূহত শিৱসাগৰ জিলাৰ উপৰিও AMCH ৰ প্ৰায় ২৫ গৰাকী বিশেষজ্ঞ চিকিৎসকৰ দলে স্বাস্থ্য শিৱিৰত অংশগ্ৰহণ কৰে। ইয়াৰ উপৰিও ২টা ভ্ৰাম্যমাণ চিকিৎসা সেৱা গোট (M M U) আৰু ভ্ৰাম্যমান গ্ৰাম্য স্বাস্থ্য সম্প্ৰসাৰণ আঁচনি গোটৰ (VHOP), 108 এম্বুলেন্সে সেৱা আগবঢ়ায়। জিলা গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকনে জানিবলৈ দিয়া মতে, পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত এই শিৱিৰসমূহত বিয়লি ৪-৩০ বজালৈকে স্বাস্থ্য পৰীক্ষাৰ বাবে বিভিন্ন ৰোগৰ ৰোগীসকল আহে। মুঠ ১০৫৫ গৰাকী ৰোগীৰ নাম পঞ্জীয়ন আৰু স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধো বিতৰণ কৰা হয়। অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ আৰু স্বাস্থ্যমন্ত্ৰী অশোক সিংঘলৰ তদাৰকত অনুষ্ঠিত হোৱা এই স্বাস্থ্য শিৱিৰৰ বাবে বানাক্ৰান্ত লোকসকল যথেষ্ট উপকৃত হৈছে বুলি আশা কৰিব পাৰি। শিৱসাগৰৰ লগতে ডিমৌ আৰু নাজিৰা সমষ্টিৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়া-কৰ্মীসকলো এই শিৱিৰত উপস্থিত থাকে। বানপানীত ক্ষতিগ্ৰস্ত লোকৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি এই বিশেষ স্বাস্থ্য শিৱিৰৰ আয়োজন কৰা হয়। বিভাগীয় কৰ্তৃপক্ষই অৱগত কৰি অনসৰি এই স্বাস্থ্য শিৱিৰসমূহত অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগেও যথেষ্ট সহযোগ আগবঢ়ায়।

# পুঠিমাৰীত সদৌ অসম নাগাৰা নাম সংঘৰ নতুন সমিতি গঠন

**প্ৰবীণ কুমাৰ দাস, গুৱালকুছি ঃ** বৰ্ডিয়া সমজিলাৰ পুঠিমাৰীত ১৬ আগষ্টত সদৌ অসম নাগাৰা নাম সংঘৰ প্ৰতিষ্ঠাপক শিল্পীসকলৰ লগতে জ্যেষ্ঠ, কণিষ্ঠ নামৰ শিল্পী আৰু হিতাকাংক্ষী সকলৰ সৌজন্যত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সহস্ৰাধিক শিল্পী উপস্থিত থকা সভাখন সঞ্চালনা কৰে নাগাৰা নামৰ মহীৰুহ তথা সদৌ অসম নাগাৰা নাম সংঘৰ প্ৰতিষ্ঠাপক সম্পাদক অচ্যুত ডেকাই। আহ্বায়ক যোগেশ্বৰ নাথে আঁতধৰা সভাখনত প্ৰতিষ্ঠাপক সাংগঠনিক সম্পাদক বলো বৈশ্য, প্ৰাক্তন সভাপতি ৰূপেন্দ্ৰ নাথ ডেকা, প্ৰাক্তন সম্পাদক কুশল দাস, অৰবিন্দ কুমাৰ, মণিৰাম কলিতা,শিল্পী পেঞ্চনাৰ বিষয় ডেকা, ৰুণুনাথ শৰ্মা, জ্যেষ্ঠ পাঠক মেদিনী মোহন নাথ, ভুৱনেশ্বৰ কাকতি, বীৰেণ দাস, দ্বিজেন্দ্ৰ নাথ পাঠক, চণ্ডি পাটোৱাৰী, হৰকান্ত কলিতা, দীপক কলিতা, যতীন চৌধুৰী, প্ৰাক্তন পত্ৰিকা সম্পাদক নৰকান্ত ডেকা, প্ৰাক্তন কাৰ্যালয় সম্পাদক গৌতম কলিতা, অভিযন্তা ধীৰেণ শৰ্মা, পুঠিমাৰী বাৰোৱাৰী দুৰ্গা পূজা সমিতিৰ সভাপতি, সম্পাদক, পুঠিমাৰী ৰাস সমিতিৰ সভাপতি, সম্পাদক, পুঠিমাৰী জলকল্যান সমিতি আদিকৰি অৰ্ধ শতাধিক ব্যক্তিয়ে নাগাৰা নামৰ প্ৰচাৰ আৰু প্ৰসাৰ, চৰকাৰে দিয়া আৰ্থিক ধনৰ ব্যৱহাৰৰ সম্পৰ্কে বিশদভাৱে বক্তব্য আগবঢ়ায়।

# তেওঁৰ নাম 'মা'

**ৰমেন ভৰালী**, বংশৰ

তেওঁৰ নাম কোনেও নুসুধে,
মাথোঁ ৰাতিৰ ঠিকনাটো বিচাৰে।
দুৱাৰখন খোল খায় নিশব্দে,
ভিতৰত জ্বলে এটা হালধীয়া চাকি,
আৰু এখন বুকুৰ মানচিত্ৰ
য'ত সকলো পথ গৈ শেষ হৈছে
এখন শ্মশানত।

তাইৰ চকুৰ কাজলত
লুকাই থাকে এজাক বৰষুণ,
যি কেতিয়াও নপৰে মাটিত।
তাইৰ ওঁঠৰ হাঁহিত
ওলমি থাকে এটা অসমাপ্ত গান,
যাক শুনিবলৈ কোনো নাথাকে
পুৱাৰ পোহৰত।

সমাজে তাইক দিলে এটা নাম ঃ বেশ্যা।
মই সুধিলোঁ, "তোমাৰ আচল নাম কি?"
তাই ক'লে, "মা।
মোৰ জীয়েকৰ স্কুলৰ বহীত
য'ত লিখা থাকে, অভিভাৱকৰ নাম
সেইডালেই মোৰ আচল নাম।"


তাইৰ খোপাত গোন্ধায়
কিনি অনা মালতী ফুল,
কিন্তু তাইৰ সপোনত ফুলে
নিজৰ চোতালৰ গোলাপ।
য'ত তাই জীয়েকক বুকুত লৈ
শুৱাব পাৰিব বিনা ভয়ে,
বিনা দামে।

ৰাতিৰ পিছত ৰাতি যায়,
তাই দেহৰ বজাৰত নিজকে সজায়।
কিন্তু প্ৰতিটো পুৱাতে
তাই গা ধুৱে গংগাৰ পানীৰে নহয়,
জীয়েকৰ হাঁহিৰে।
আৰু বিশ্বাস কৰে,
এদিন তাইৰ দেহৰ দাগবোৰ
মচি দিব এচিকুট ৰ'দে।

তাই বেশ্যা নহয়,
তাই এটা যুদ্ধৰ নাম।
যি যুদ্ধৰ কথা ইতিহাসে নিলিখে,
যি যুদ্ধৰ শ্বহীদক মালা নিপিন্ধায়।
তাই কেৱল জীয়াই থাকে,
যাতে এজনী ছোৱালীয়ে
কেতিয়াও শিকিবলগীয়া নহয়
পেটৰ তাড়নাত
নিজকে বিক্ৰী কৰাৰ ব্যাকৰণ।

তেওঁৰ নাম কি বুলি আকৌ নুসুধিবা।
মাথোঁ মনত ৰাখিবা,
পৃথিৱীৰ আটাইতকৈ চুটি
আৰু আটাইতকৈ গধুৰ শব্দটো
মা।

ম'বাইল ঃ ৯৭০৬০-৬৪৪৪৫



# নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ত হৰ ঘৰ তিৰংগা সমদল আৰু বিভাজনৰ বিভীষিকা স্মৃতিচাৰণ দিৱস পালন

**বিশেষ সংবাদদাতা, নগাঁও ঃ** ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকক্ষণত, ১৪ আগষ্ট, ২০২৬ তাৰিখে নগাঁও গোপীনাথ দেৱ গোস্বামী বাণিজ্য মহাবিদ্যালয়ে "হৰ ঘৰ তিৰংগা অভিযান"ৰ অধীনত এক সজাগতামূলক সমদল উলিয়াই এই দিনটো পালন কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মৃগাংক শইকীয়াই উদ্বোধন কৰা এই সমদলটোত শিক্ষক-শিক্ষয়িত্ৰী, অনা-শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে ব্যাপক উৎসাহেৰে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ এন চি চি আৰু এন এছ এছ গোটৰ দ্বাৰা আয়োজিত এই সমদলটোৰ মূল উদ্দেশ্য আছিল ভাৰতৰ স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা আৰু তেওঁলোকৰ আদৰ্শৱান জীৱন, অপৰিসীম অৱদান তথা দেশৰ বাবে কৰা ত্যাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰা। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বিষয়ববীয়া আৰু অন্যান্য ছাত্ৰ-ছাত্ৰীসকলেও সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা এই সমদলটোৱে দেশপ্ৰেম, ৰাষ্ট্ৰীয় ঐক্য আৰু ৰাষ্ট্ৰীয় পতাকাৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ বাৰ্তা কঢ়িয়াই নিয়ে। সমদলৰ অন্তত, মহাবিদ্যালয়খনে এক পতাকা বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰে, য'ত হৰ ঘৰ তিৰংগা অভিযানৰ অংশ হিচাপে ওচৰ-চুবুৰীয়া অঞ্চলৰ আৱাসীসকলৰ মাজত ৰাষ্ট্ৰীয় পতাকা বিতৰণ কৰা হয়। এই পদক্ষেপে নাগৰিকসকলক গৌৰৱেৰে ত্ৰিৰংগা প্ৰদৰ্শন কৰিবলৈ উৎসাহিত কৰাৰ লগতে দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় সংহতিৰ মনোভাৱ সুদৃঢ় কৰাৰ প্ৰয়াস কৰে। পৰৱৰ্তী সময়ত, ভাৰত বিভাজনৰ লগত জড়িত দুখদায়ক ঘটনা আৰু মানৱীয় দুৰ্দশাৰ স্মৃতিচাৰণ কৰিবলৈ মহাবিদ্যালয়খনে "বিভাজনৰ বিভীষিকা স্মৃতিচাৰণ দিৱস"ৰ ওপৰত এক বক্তৃতা কাৰ্যসূচীৰ আয়োজন কৰে। কাৰ্যসূচীখনৰ শুভাৰম্ভ কৰে অধ্যক্ষ ড° মৃগাংক শইকীয়াই, যিয়ে তেওঁৰ উদ্বোধনী ভাষণত মানুহৰ জীৱনত বিভাজনৰ ধ্বংসাত্মক প্ৰভাৱ আৰু সেই সময়ছোৱাত হোৱা অপৰিসীম মানৱীয় দুৰ্দশাৰ বিষয়ে উল্লেখ কৰে। বক্তৃতাৰ পূৰ্বে, মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অনা-শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে বিভাজনৰ বিভীষিকা আৰু ইয়াৰ মানৱীয় পৰিণতিৰ বিষয়ে আলোকপাত কৰা এটি চুটি ভিডিঅ' ছবি প্ৰদৰ্শন কৰা হয়। খাগৰিজান মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক শ্ৰীযুত ৰাইহানুল আহমেদদেৱে এই কাৰ্যসূচীত অতিথি বক্তা হিচাপে উপস্থিত থাকে। তেখেতৰ ভাষণত শ্ৰীযুত আহমেদে বিভাজনৰ সময়ত মানুহে সন্মুখীন হোৱা মৰ্মান্তিক অভিজ্ঞতাসমূহৰ বিষয়ে বহলাই বৰ্ণনা কৰে, য'ত বিশেষকৈ মহিলা আৰু শিশুসকলৰ ওপৰত হিংসা আৰু স্থানান্তৰকৰণৰ ভয়াৱহ প্ৰভাৱৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। সাম্প্ৰদায়িক হিংসা, ঘৃণা আৰু বিভাজনৰ পৰিণামৰ পৰা ভৱিষ্যত প্ৰজন্মই যাতে শিক্ষা ল'ব পাৰে, তাৰ বাবে বিভাজনৰ এই বেদনাদায়ক ইতিহাস মনত ৰখাৰ গুৰুত্বৰ বিষয়ে তেখেতে আলোকপাত কৰে। কাৰ্যসূচীখন আঁত ধৰে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ভূপেশ তুমুঙে। ঐক্য, শান্তি, দেশপ্ৰেম আৰু ৰাষ্ট্ৰীয় সংহতিৰ মূল্যবোধক বজাই ৰখাৰ সংকল্পৰে এই দিৱসৰ কাৰ্যসূচীৰ সামৰণি পৰে।

# নদুৱাৰ সমষ্টিৰ অন্তৰ্গত চিলনীপাম শংকৰসংঘ নামঘৰৰ চাৰিসীমাৰ পকী বেৰৰ শুভ উদ্বোধন



**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত পশ্চিম মূঢ়াদল গাঁও পঞ্চায়ত অধিনৰ চিলনীপাম শংকৰসংঘ নামঘৰ গৃহৰ পৱিত্ৰ ভাদ মাহৰ প্ৰথম দিনটোতে এক মাংগলিক নিয়মৰে চাৰিসীমাৰ পকী বেৰৰ শুভ উদ্বোধন কৰে পশ্চিম মূঢ়াদল গাঁও পঞ্চায়তৰ সভাপতি অজিত পায়েঙে। অসম চৰকাৰৰ চতিয়া উন্নয়ন খণ্ডৰ ২০২৫-২৬ বৰ্ষৰ পঞ্চদশ বিত্তীয় আয়োগৰ আঁচনিৰ জৰিয়তে নামঘৰগৃহটিৰ দুই লাখ পঞ্চাছ হাজাৰ টকাৰ ব্যয়ৰে চাৰিসীমাৰ পকী বেৰৰ নিমাৰ্ণ কাৰ্য সম্পন্ন কৰে। নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ লগতে পশ্চিম মূঢ়াদল গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰে চিলনীপাম শংকৰসংঘ নামঘৰৰ ভক্তপ্ৰাণ ৰাইজে। এই শুভ উদ্বোধনী অনুষ্ঠানত পঞ্চায়তৰ সভাপতি গৰাকীক সংগ দিয়ে পশ্চিম মূঢ়াদল গাঁও পঞ্চায়তৰ অভিযন্তা বৰ্ণালী বৰা, মূঢ়াদল জিলা পৰিষদৰ সদস্যা ৰেণুকা দেৱী আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যা ৰশ্মি থাপাই। তাৰপিছত পঞ্চায়তৰ প্ৰতিনিধিসকলে গড়বিল মিছিং মহিলা কীৰ্ত্তন সংঘৰ ভক্তপ্ৰাণ ৰাইজৰ লগত একেলগে হৰি নাম লই ৰাইজৰ মনৰ কথা বুজ লয়।

# শুৱালকুছি জ্যোতি সাহিত্য সভাৰ নৱনিৰ্মিত কাৰ্যালয় গৃহ উদ্বোধন ড° বসন্তকুমাৰ গোস্বামীৰ

## অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ একান্ত প্ৰচেষ্টাত শুৱালকুছি জ্যোতি সাহিত্য সভাৰ নৱনিৰ্মিত কাৰ্যালয় গৃহ নিৰ্মাণ



**ৰমেন ভৰালী, বংশৰ ঃ** আই অসমীক জীয়াই ৰাখিবলৈ অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ অসম সাহিত্য সভাৰ অন্তৰ্গত এহাজাৰখন শাখা সাহিত্য সভাই সক্ৰিয়তাৰে কাম কৰি আছে। শাখাসমূহৰ শক্তিয়ে অসম সাহিত্য সভাৰ মূল চালিকাশক্তি। এই মন্তব্য অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ। যোৱা ১৬ আগষ্টত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ একান্ত প্ৰচেষ্টাত শুৱালকুছি জ্যোতি সাহিত্য সভাৰ শুৱালকুছি ক্ৰীড়া প্ৰকল্প চৌহদত আটকধুনীয়াকৈ নৱনিৰ্মিত শুৱালকুছি জ্যোতি সাহিত্য সভাৰ স্থায়ী কাৰ্যালয় গৃহ উদ্বোধন কৰি বিশিষ্ট কথাসাহিত্যিক ড° বসন্ত কুমাৰ গোস্বামীয়ে কয় যে অসমৰ এহাজাৰটা শাখা সাহিত্য সভাৰ ভিতৰতে এই কাৰ্যালয়টো সকলো সুবিধাযুক্ত উন্নত মানৰ অসমৰ ভিতৰতে শ্ৰেষ্ঠ কাৰ্যালয় হিচাপে বিবেচিত হ'ব বুলি কয়। ই সঁচাকৈয়ে অসম সাহিত্য সভাক গৌৰৱান্বিত কৰিব বুলি কয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতি গঠনত লোৱা প্ৰচেষ্টাৰ বাবেই অসমত অসমীয়া হিচাপে আমি পোন হৈ থাকিবলৈ পাইছোঁ। বিশিষ্ট সাহিত্যকগৰাকীয়ে কয় যে মহাপুৰুষজনাই অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীক লৈ যি বৰ-অসম গঢ়াৰ সংকল্প লৈছিল, সেই প্ৰচেষ্টা অসম সাহিত্য সভাই অব্যাহত ৰাখিছে। তেওঁ কয় যে অসমত ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ প্ৰতি মানুহৰ আকৰ্ষণ বৃদ্ধি পাইছে। কিন্তু মাতৃভাষাইহে সুস্থ শিক্ষাৰ পৰিৱেশ দিব পাৰে। তেওঁ কয় যে ইজৰাইলীসকলে মাতৃভাষা প্ৰতিষ্ঠা কৰিবলৈ দুশ বছৰ আন্দোলন কৰিবলগীয়া হৈছিল। কিন্তু এতিয়া তেওঁলোকে সকলো কাম-কাজ মাতৃভাষা ব্যৱহাৰ কৰি পৃথিৱীৰ ভিতৰতে তেওঁলোকৰ মাতৃভাষাক শক্তিশালী কৰি তুলিছে। গতিকে প্ৰতিগৰাকী অসমীয়াই মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব লাগে। শুৱালকুছি জ্যোতি সাহিত্য সভাৰ সভাপতি ৰঞ্জিত কুমাৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সাহিত্য সভাৰ নৱনিৰ্মিত কাৰ্যালয় গৃহ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলক হিচাপে উপস্থিত থাকি হাজো-শুৱালকুছিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে মাতৃদুগ্ধ পান নকৰা আৰু মাতৃভাষা নজনাটো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি কয় যে- যি জাতিৰ লোক-সংস্কৃতি নাই, ভাষা নাই, সেই জাতি কেতিয়াও বৰ্তি থাকিব নোৱাৰে। অসমীয়া জাতিৰ মেৰুদণ্ড পোন কৰিবলৈ হ'লে অসম সাহিত্য সভাই বিশেষ ভূমিকা ল'ব লাগিব। টকা-পইচা আৰু ঘৰে জাতি এটা জীয়াই ৰাখিব নোৱাৰে। জাতি জীয়াই ৰাখিব লাগিলে মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধাশীল হ'ব লাগিব। সাহিত্য-সংস্কৃতি আদিৰ প্ৰতি আগ্ৰহী হ'ব লাগিব। মাতৃৰ মুখৰ পৰা শিকা ভাষাই শিশুৰ ভবিষ্যৎ নিৰ্ভৰ কৰে। তেওঁ কয় যে মাতৃভাষাৰ যথোচিত জ্ঞান নাথাকিলে জীৱনৰ সফলতাত বাধা আহিব পাৰে। সেয়েহে প্ৰতিটো অসমীয়া পৰিয়াল মাতৃভাষাৰ ছোৱালীক মাতৃভাষাৰ প্ৰতি আকৰ্ষিত কৰিবলৈ প্ৰতি মৰমিয়াল হ'ব লাগিব আৰু নিজৰ ল'ৰা-ছোৱালী যত্নপৰ হ'ব লাগিব।

# বঢ়মপুৰত পথ দুৰ্ঘটনাত প্ৰধান শিক্ষক মানিক বৰাৰ মৃত্যু



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ ইটাচালী টাউন আৰক্ষী চকীৰ অন্তৰ্গত বঢ়মপুৰত যোৱা ১৫ আগষ্টৰ দিনা মানিক বৰা (৫২) নামৰ এগৰাকী প্ৰধান শিক্ষক তথা সৰববৰহী ব্যক্তি দুৰ্ঘটনাত পতিত হোৱাৰ পিছত বিয়লি গুৱাহাটীৰ জি.এম.চি.এইচত চিকিৎসাধীন অৱস্থাত ব্যক্তিগৰাকীৰ মৃত্যু ঘটে। জানিব পৰা মতে মাজ উৰিয়া গাঁৱৰ নিবাসী, ৰূপহী শিক্ষাখণ্ডৰ অন্তৰ্গত মিকিৰ বামুণী গ্ৰাণ্ট প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা নাট্যকৰ্মী মানিক বৰাই স্বাধীনতা দিৱসৰ দিনা দুপৰীয়া বিদ্যালয়ৰ পৰা নিজ গৃহলৈ আহি থকা অৱস্থাত বঢ়মপুৰ পশুধন পামৰ সন্মুখৰ পথত এক দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আহত হয়। ঘটনা সংঘটিত হোৱাৰ পিছত আহত ব্যক্তিগৰাকীক ততাতৈয়াকৈ পৰিয়ালৰ লোকে নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰায়। পৰৱৰ্তী সময়ত ব্যক্তিগৰাকীৰ শাৰীৰিক অৱস্থা জটিল হৈ পৰাত চিকিৎসালয় কৰ্তৃপক্ষই উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে যদিও বিয়লি চিকিৎসাধীন অৱস্থাত ব্যক্তিগৰাকীৰ মৃত্যু ঘটে। তেওঁ উৰিয়া গাঁৱৰ সুন্দৰম নাট্য গোষ্ঠীৰ প্ৰাক্তন সম্পাদক, মাজ উৰিয়া গাঁও সাৰ্বজনীন ভাগৱত মন্দিৰৰ বিষয়ববীয়া, নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সমিতিৰ সক্ৰিয় সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও তেওঁ স্থানীয় বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ সমাজলৈ উল্লেখনীয় অৱদান আগবঢ়াইছিল। এগৰাকী অভিনেতা, ক্ৰিকেট খেলুৱৈ হিচাপে তেওঁৰ সমাজত পৰিচিত ব্যক্তি আছিল। সৰববৰহী ব্যক্তিগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এগৰাকী কন্যা সন্তানকে ধৰি বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত সুন্দৰম নাট্যগোষ্ঠীকে ধৰি বহু স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰিছে।

*প্ৰথম পৃষ্ঠাৰ পৰা*

## নগাঁৱত ওলহ-মালহেৰে স্বাধীনতা দিৱস

আড়ম্বৰপূৰ্ণভাৱে পতাকা উত্তোলনকে ধৰি নানা কাৰ্যসূচীৰে স্বাধীনতা দিৱস পালন কৰা হয়। যাৰ পৰিণতিত শিক্ষানুষ্ঠানবোৰত আজিৰ পৰা বহু বছৰৰ আগতে স্বাধীনতা দিৱস উপলক্ষে পুৱাৰে পৰা সৃষ্টি হোৱা ব্যস্ততাপূৰ্ণ মনোমোহা পৰিৱেশৰ পুনৰাবৃত্তি হোৱা দেখা গ'ল। পুৱাৰে পৰা স্কুলীয়া ইউনিফৰ্মত ছাত্ৰ-ছাত্ৰীসকলে হাতে-হাতে নানা তৰহৰ ফুল লৈ বিদ্যালয়লৈ অহা আৰু নিৰুদ্দিষ্ট সময়ত জাতীয় পতাকাৰ তলত গুৰু-শিষ্য সমৱেত হৈ শ্ৰদ্ধা সহকাৰে ৰাষ্ট্ৰীয় সংগীত পৰিৱেশন কৰা তথা পৰৱৰ্তী সময়ত সকলোয়ে একগোট হৈ আনন্দ-স্ফুৰ্তিৰে খেল-ধেমালিত মত্ত হোৱাৰ দৰে মনোৰম দৃশ্যাৱলীয়ে বহু বছৰ বিৰতিৰ পিছত এক সুকীয়া পৰিৱেশৰ সূচনা কৰা দৃষ্টিগোচৰ হয়। ইয়াৰ বিপৰীতে উপৰোক্ত গ্ৰামাঞ্চলবোৰৰ বহু শিক্ষানুষ্ঠানত নানা প্ৰকাৰৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# ঘগ্ৰাপাৰৰ বৰাজোল দুৰ্গা মন্দিৰৰ নতুন সমিতি গঠন

**মমতাজ আহমেদ , ঘগ্ৰাপাৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত বৰাজোল দুৰ্গা মন্দিৰৰ নতুন সমিতি গঠন কৰা হয়। বৰাজোল দুৰ্গা মন্দিৰ পৰিচালনা আৰু উন্নয়ন সমিতিখন নতুনকৈ গঠন কৰাৰ উদ্দেশ্যে সন্ধিয়া দুৰ্গা মন্দিৰ প্ৰাংগণত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত সমাজ সেৱক ধীৰেশ্বৰ তালুকদাৰক সভাপতি আৰু বীৰেন দাসক কাৰ্যকৰী সভাপতি হিচাপে সৰ্বসন্মতভাৱে নিৰ্বাচিত কৰাৰ অন্তত সম্পাদক পদৰ বাবে গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচন অনুষ্ঠিত হয়। নিৰ্বাচন পদ্ধতি অৱলম্বন কৰাত প্ৰবীন দাসে জয়লাভ কৰি নতুন সমিতিখনৰ সম্পাদক নিৰ্বাচিত হয়। তদুপৰি বৰাজোল দুৰ্গা মন্দিৰৰ নতুনকৈ গঠন কৰা পৰিচালনা আৰু উন্নয়ন সমিতিখন ৩৫ জনীয়া এখন শক্তিশালী সমিতি গঠন কৰা হয়।

# বিশিষ্ট সাহিত্যিক, অৱসৰপ্ৰাপ্ত অভিযন্তা ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাৰ তিনিখনকৈ গ্ৰন্থ উন্মোচন



**ৰমেন ভৰালী, বংশৰ ঃ** গুৱাহাটীৰ ঐতিহ্যমণ্ডিত কটন বিশ্ববিদ্যালয়ৰ এলামনাই ভৱনত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট লেখক, লোক নিৰ্মাণ বিভাগৰ অৱসৰপ্ৰাপ্ত অভিযন্তা ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাৰ ৰচিত তিনিখনকৈ মূল্যৱান গ্ৰন্থ শুভ উন্মোচন কৰা হয়। যোৱা ১৬ আগষ্টত শুভ উন্মোচিত গ্ৰন্থ তিনিখন হৈছে-'সমন্বয়ৰ সংস্কৃতিত অসম আৰু ইয়াৰ জনগোষ্ঠীসমূহ', 'শক্তি মাহাত্ম্য আৰু আমি' আৰু 'ভক্তি উপাসনা আৰু আধ্যাত্মিকতা' শীৰ্ষক গ্ৰন্থকেইখন উন্মোচন কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা বিশিষ্ট সাহিত্যিক-গৱেষক পণ্ডিত কনক চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাখন বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তথা বিশিষ্ট সু-সাহিত্যিক মৃণালিনী দেৱীয়ে। বন্তি প্ৰজ্বলন কৰি তেখেতে ভাষণ প্ৰসংগত কয় যে প্ৰকৃত অধ্যয়নশীলতাইহে সমাজত সাহিত্য সৃষ্টিৰ মাজেৰে সমাজৰ উত্তৰণ ঘটাব পাৰে বুলি ভাষণত উল্লেখ কৰে। ইয়াৰ পাছতে বিশিষ্ট অনাতাঁৰ আৰু দূৰদৰ্শন শিল্পী কবিতা তালুকদাৰে শুৱলা কণ্ঠেৰে সৰস্বতী বন্দনা পৰিৱেশন কৰে। অনুষ্ঠানত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় বিশিষ্ট সাহিত্যিক তথা অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত আই.এ.এছ. বিষয়া থানেশ্বৰ মালাকাৰে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক তথা পদ্মশ্ৰী ড° সূৰ্যকান্ত হাজৰিকাই। তেখেতে ভাষণ প্ৰসংগত অৱসৰপ্ৰাপ্ত অভিযন্তা ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাৰ এই তথ্যসমৃদ্ধ গ্ৰন্থকেইখনৰ পৰা পঢুৱৈ সমাজ যথেষ্ট উপকৃত হ'ব বুলি কয়। গ্ৰন্থ উন্মোচনী অনুষ্ঠানত মুখ্য অতিথি, সভাপতি আৰু বিশিষ্ট অতিথিসকলে একত্ৰিতভাৱে গ্ৰন্থ তিনিখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সাৰুৱা বক্তব্য আগবঢ়ায়- মেঘালয়ৰ ইউনিভাৰ্ছিটি অৱ চায়েন্স এণ্ড টেকন'লজিৰ অৱসৰপ্ৰাপ্ত অধ্যাপক সাহিত্যাচাৰ্য ড° পৰাগ কুমাৰ ভট্টাচাৰ্য আৰু অসম সংস্কৃত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সাহিত্যিক ড° নৃপেন্দ্ৰ নাথ শৰ্মা। অনুষ্ঠানত উপস্থিত বিশিষ্ট অতিথিসকলে লেখক ভূপেন্দ চন্দ্ৰ শৰ্মাৰ সাহিত্য সাধনা, গৱেষণাধৰ্মী দৃষ্টিভংগী আৰু আধ্যাত্মিক-সাংস্কৃতিক চেতনাৰ ভূয়সী প্ৰশংসা কৰি কয় যে এই গ্ৰন্থ তিনিখনে অসমৰ সমাজ জীৱন, সমন্বয়ৰ ঐতিহ্য আৰু আধ্যাত্মিক চিন্তাধাৰাক এক সুকীয়া মাত্ৰা প্ৰদান কৰিব। গ্ৰন্থ উন্মোচনৰ পাছত লেখক অৱসৰপ্ৰাপ্ত অভিযন্তা ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাই নিজৰ বক্তব্যত গ্ৰন্থসমূহ ৰচনাৰ আঁৰৰ উদ্দেশ্য আৰু মনৰ ভাব ব্যক্ত কৰে। সভাৰ সঞ্চালনাৰ দায়িত্ব নিষ্ঠাৰে পালন কৰে অৱসৰপ্ৰাপ্ত আয়ুক্ত থানেশ্বৰ মালাকাৰে। সভাপতিৰ ভাষণত বিশিষ্ট সাহিত্যিক, গৱেষক, পণ্ডিত কনক চন্দ্ৰ শৰ্মাই নৱপ্ৰজন্মক এনে তথ্যসমৃদ্ধ গ্ৰন্থ অধ্যয়নত মনোনিৱেশ কৰিবলৈ আহ্বান জনোৱাৰ লগতে বেদ, উপনিষদৰ পৰা আৰম্ভ কৰি পুৰাণ, মহাভাৰতলৈকে প্ৰসংগক্ৰমে বহু কথা উল্লেখ কৰে আৰু ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মাৰ এই গ্ৰন্থকেইখনে পাঠক সমাজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। শেষত ড° জ্যোতিকা দেৱীয়ে সকলো অতিথি, সাহিত্যপ্ৰেমী আৰু উপস্থিত ৰাইজক শলাগৰ শৰাই জ্ঞাপন কৰাৰ পাছতে সভাৰ সামৰণি পৰে।

# এৰি ফাৰ্ম আৰু ২০০ গৰাকী শিপিনীৰ তাঁতশাল প্ৰকল্প পৰিদৰ্শন হস্ততাঁত মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ



**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত টুপিয়াস্থিত চৰকাৰী এৰি ফাৰ্মখন শনিবাৰে বিয়লিৰ ভাগত পৰিদৰ্শন কৰে অসম চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে ফাৰ্মখনত চলি থকা কাম-কাজৰ পৰ্যালোচনা কৰাৰ লগতে ইয়াৰ বিভিন্ন সমস্যাৰ বুজ লোৱাৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা এৰি ফাৰ্মসমূহ সুচাৰুৰূপে পৰিচালনা কৰা আৰু মুগা উৎপাদন বৃদ্ধিৰ উদ্দেশ্যে চৰকাৰে শীঘ্ৰেই নতুন পৰিকল্পনা হাতত ল'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মুগা আৰু এৰি শিল্পৰ উৎপাদন বৃদ্ধিৰ দিশলৈ চাই চৰকাৰৰ অধীনত থকা এৰি ফাৰ্মসমূহ প্ৰয়োজন সাপেক্ষে চুক্তিৰ জৰিয়তে কোনো ছ'ছাইটি বা ব্যক্তিগত খণ্ডৰ ফাৰ্মক হস্তান্তৰ কৰাৰ চিন্তা-চৰ্চা চলি থকা বুলি তেওঁ এক তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। ইয়াৰ লগতে নদুৱাৰ সমষ্টিৰ অন্তৰ্গত চাৰিদুৱাৰস্থিত কন্যকা বহুমুখী কৃষি পামৰ উদ্যোগত গঢ় লৈ উঠা ২০০ গৰাকী শিপিনীৰ তাঁতশাল প্ৰকল্প পৰিদৰ্শন কৰি শিপিনীসকলৰ সৈতেও মত বিনিময় কৰে মন্ত্ৰীগৰাকীয়ে। স্থানীয় মহিলা তথা যুৱতীসকলৰ লগতে এই প্ৰকল্পটোত বহু দূৰ দূৰণিৰ শিপিনীও জড়িত হৈ আছে বুলি তেখেতে উল্লেখ কৰে। প্ৰতিবছৰে শিপিনীসকলে এই প্ৰকল্পটোৰ জৰিয়তে গামোচা, মেখেলা চাদৰ আদি যোগান ধৰি আহিছে বুলি জানিবলৈ দিয়ে। এই পৰিদৰ্শন কালত মন্ত্ৰী বিশ্বজিৎ দৈমাৰীক সংগ দিয়ে নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, শোণিতপুৰ জিলা উপায়ুক্ত আনন্দ কুমাৰ দাসে।

# নগাঁৱত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী কৃষেণ্ডু পালৰ পৰ্যালোচনা

## অসম্পূৰ্ণ আঁচনিৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ নিৰ্দেশ



**পঙ্কজ নাথ, ষ্টাফ ৰিপৰ্টাৰ ঃ** নগাঁও জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনি, বিশেষকৈ 'জল জীৱন মিচন' আদিৰ অগ্ৰগতিৰ খাতিয়ান লোৱাৰ উদ্দেশ্যে বুধবাৰে বিভাগীয় মন্ত্ৰী কৃষেণ্ডু পালে নগাঁও জিলা ভ্ৰমণ কৰে। প্ৰথমে নগাঁৱত উপস্থিত হৈ জিলা পৰিষদৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠক অংশগ্ৰহণ কৰি জিলাখনৰ জনসাধাৰণৰ বাবে অত্যাৱশ্যকীয় খোৱাপানী যোগান সেৱাসমূহৰ সু-সমন্বয় নিশ্চিত কৰা, সময়মতে সেৱা উপলব্ধ কৰা, বিভাগীয় কাৰ্যসূচীৰ দ্ৰুত ৰূপায়ণ আৰু ক্ষেত্ৰ পৰ্যায়ৰ প্ৰাথমিকতাসমূহৰ ওপৰত বিস্তাৰিতভাৱে আলোচনা কৰে। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ উপস্থিতিত আয়োজিত এই পৰ্যালোচনা বৈঠকত মন্ত্ৰীগৰাকীয়ে 'পাৱাৰ পইণ্ট প্ৰেজেনটেচন' আৰু বিভাগীয় অভিযন্তাসকলে সংগ্ৰহ কৰা তথ্যৰ ভিত্তিত আঁচনিসমূহৰ অগ্ৰগতিৰ বিতং পৰ্যালোচনা চলায়। আঁচনি ৰূপায়ণৰ অগ্ৰগতি আৰু ক্ষেত্ৰ পৰ্যায়ৰ অগ্ৰাধিকাৰ বিষয় সমূহৰ ওপৰত মন্ত্ৰী গৰাকীয়ে আলোচনা কৰে আৰু বিষয়াসকলক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকতে মন্ত্ৰীগৰাকীয়ে নগাঁও জিলাত অকাৰ্যক্ষম হৈ থকা পানী যোগান আঁচনি সমূহ অহা দহ দিনৰ ভিতৰত কাৰ্যক্ষম কৰি তুলিবলৈও বিভাগীয় বিষয়াসকলক জৰুৰী নিৰ্দেশনা প্ৰদান কৰে। বৈঠকত জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ ছিকাৰিয়া, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ (অনাময়) মুখ্য অভিযন্তা পল্লৱ কুমাৰ দাস, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ (পানী) মুখ্য অভিযন্তা ৰাম্য শৰ্মা, জিলাৰ অতিৰিক্ত আয়ুক্ত দিপাংকৰ বৰ্মন আৰু মৃদুল বড়ো, জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা, জিলাখনৰ বিধায়কসকলৰ প্ৰতিনিধিসকলৰ লগতে সকলো খণ্ড উন্নয়ন বিষয়াসকল আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। সভাৰ পিছতে মন্ত্ৰী গৰাকী ধিঙলৈ গৈ কেবাটাও পানীযোগান আঁচনি পৰিদৰ্শন কৰি অৱস্থাৰ বুজ লয়।

# তিনি শতাধিক গ্ৰন্থ ৰচয়িতা চিত্ৰভানুলৈ অসমীয়া শিশু সাহিত্য বঁটা

**জয়ন্ত মুদৈ, নগাঁও ঃ** অকণিৰ সাহিত্য সভাই ২০২৬ বৰ্ষৰ অসমীয়া শিশু সাহিত্য বঁটাৰ বাবে 'চিত্ৰভানু' ছন্মনামেৰে শিশু সাহিত্যলৈ বিশেষ অৱদান আগবঢ়োৱা খ্যাতনামা লেখক, অনুবাদক আৰু প্ৰকাশক আমিনুৰ ৰহমানক নিৰ্বাচন কৰিছে বুলি 'অকণিৰ সাহিত্য সভা'ৰ সভাপতি পংকজ বৰুৱা, সম্পাদক কবিন পাটৰ আৰু যুটীয়া সম্পাদক দ্বীপজ্যোতি বৰাই এক প্ৰেছ বিবৃতি যোগে জানিবলৈ দিছে। চিত্ৰভানু ছদ্মনামেৰে আমিনুৰ ৰহমানে ইতিমধ্যে শতাধিক শিশু গ্ৰন্থৰ লগতে দুশতকৈও অধিক কিশোৰ উপযোগী গ্ৰন্থ ৰচনা কৰিছে। তদুপৰি ১৯৯৯ চনৰে পৰা গ্ৰন্থ প্ৰণয়নৰ কামত হাত দিয়া আমিনুৰ ৰহমানে এতিয়ালৈকে তিনিশতকৈও অধিক গ্ৰন্থ প্ৰণয়ন কৰিছে। অসমৰ আগশাৰীৰ প্ৰায় সকলো প্ৰকাশন প্ৰতিষ্ঠান জ্যোতি প্ৰকাশন, ষ্টুডেণ্টচ ষ্ট'ৰচ, বনলতা, চন্দ্ৰ প্ৰকাশ, বীণা লাইব্ৰেৰী, ৰেখা প্ৰকাশন, নয়নতৰা প্ৰকাশনৰ পৰাই তেখেতৰ গ্ৰন্থ প্ৰকাশ পাইছে। উল্লেখনীয় যে, ২০১৮ চনত তেখেতৰ ৫০ খন সাধু পুথি একেলগে একেদিনাই একে সময়তে উন্মোচন কৰা হয়। অসমীয়া সাহিত্যৰ ক্ষেত্ৰৰ কথা বাদেই, এইটো হয়তো বিশ্বৰ সাহিত্যৰ জগততে এটা উল্লেখনীয় অভিলেখ। সেয়ে অসমীয়া শিশু সাহিত্যৰ ক্ষেত্ৰখনলৈ জনোৱা এনে বিপুল অৰিহণাৰ বাবে 'অকণিৰ সাহিত্য সভা'ই আমিনুৰ ৰহমানক ২০২৬ বৰ্ষৰ অসমীয়া শিশু সাহিত্য বঁটাৰ বাবে বাছনি কৰিছে। আচলতে, ২০১০ চনৰ পৰা 'অকণিৰ সহিত্য সভা'ই এই বঁটা প্ৰতি বছৰে একোজনকৈ অসমীয়া শিশু সাহিত্যিকলৈ আগবঢ়াই আহিছে এই বিশেষ সন্মান। ইয়াৰ অংশ হিচাপে এই বৰ্ষৰ শেষৰ ফালে তেজপুৰত অনুষ্ঠিত হ'বলগীয়া এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আমিনুৰ ৰহমানক এই বঁটা প্ৰদান কৰা হ'ব বুলি 'অকণিৰ সাহিত্য সভা'ৰ উদ্যোক্তাসকলে জানিবলৈ দিছে। উল্লেখ্য যে, ইয়াৰ পূৰ্ব এই অসমীয়া শিশু সাহিত্য বঁটা দিলীপ কুমাৰ বৰুৱা, শশীন্দ্ৰ কুমাৰ অধিকাৰী, বীণা শৰ্মা, যুগল লোচন দাস, নূপুৰ মোমাইদেউ, ৰঞ্জু হাজৰিকা, দ্বিজেন নাথ, ৰথীন্দ্ৰ নাথ গোস্বামী, অভিজিত শৰ্মা বৰুৱা, স্বাধীনতা মহন্ত, প্ৰভাত গোস্বামী, বিজয় কুমাৰ দত্তক প্ৰদান কৰা হৈছিল। সেইদৰে বৰ্ষ শ্ৰেষ্ঠ শিশু গ্ৰন্থ বঁটা সুৰংগনা হাজৰিকা, মৃণাল কলিতা, সুৰেন্দ্ৰ মোহন দাস, ৰুবুল মাউত, দীপক কুমাৰ কলিতা, গহনা চক্ৰৱতীক প্ৰদান কৰা হৈছিল। তদুপৰি এখুদ ককাইদেউ বঁটা শিশু মনস্বিতা কলিতা আৰু আকাংক্ষা তামুলীক প্ৰদান কৰা হৈছিল।

প্ৰথম পৃষ্ঠাৰ পৰা

# খানাপাৰাত স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

বিকাশ, গ্ৰাম্য অঞ্চলৰ উন্নয়ন আদি কামৰ বাবে ৰাজ্য চৰকাৰৰ নিজা পুঁজিৰ পৰা এই ধন ব্যয় কৰা হ'ব। এই সময়ছোৱাতে ভাৰত চৰকাৰৰ পৰাও ১ লাখ কোটি টকাৰ পুঁজি মূলধনী ব্যয়ৰ বাবে লাভ কৰিব পৰা যায় তাৰ বাবে চৰকাৰে সংকল্প লৈছে। অৰ্থাৎ ২০২৬ চনৰ পৰা ২০৩১ চনলৈ অসমৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ডেৰ লাখ কোটি টকা ব্যয় কৰা হ'ব। অসমৰ ইতিহাসত স্বৰ্গদেউ চাওলুং চুকাফাই এক অদ্বিতীয় আৰু চিৰস্থায়ী স্থান অধিকাৰ কৰি আহিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০২৮ চনত ব্ৰহ্মপুত্ৰ উপত্যকালৈ চ্যুকাফাৰ আগমণৰ ৮০০ বছৰ পূৰ্ণ হ'ব। ৰাজ্য চৰকাৰে এই ঐতিহাসিক ক্ষণটো এক বিশাল আৰু অভূতপূৰ্ব আয়োজনেৰে সগৌৰৱে উদ্‌যাপনৰ পৰিকল্পনা কৰিছে। এই আয়োজন সন্দৰ্ভত চৰকাৰক পৰামৰ্শ দি বলৈ তেওঁ অসমবাসী ৰাইজক আহ্বান জনায়। ২০২৮ বৰ্ষটো অসমৰ বাবে আন এক কাৰণত ঐতিহাসিক আৰু গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি তেওঁ কয় যে এই বছৰটোতে ১৮২৮ চনত গমধৰ কোঁৱৰৰ নেতৃত্বত ব্ৰিটিছৰ বিৰুদ্ধে হোৱা বিদ্ৰোহৰ দুশ বছৰ সম্পূৰ্ণ হ'ব। অসমীয়াৰ স্বাভিমান ৰক্ষাৰ বাবে হোৱা যুঁজখনৰ দুশ বছৰপূৰ্তিও বিশেষভাৱে উদ্‌যাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যত নতুনকৈ ৮খন নতুন সমজিলা গঠনৰ কথাও ঘোষণা কৰে। সেই অনুসৰি কমলপুৰ, বড়মপুৰ, ৰঙানদী, চিচিবৰগাঁও, চাবুৱা-লাহোৱাল, খুমটাই, কাটিগড়া আৰু বৰখলাত এই সমজিলাকেইখন গঠন কৰা হ'ব। ৰাজ্যত এই বছৰ খেল মহাৰণৰ তৃতীয় সংস্কৰণ অনুষ্ঠিত কৰা হ'ব বুলি সদৰী কৰি তেওঁ কয় যে প্ৰতিভাৱান খেলুৱৈসকলক বিচাৰি উলিওৱাৰ বাবে দেশৰ বহুকেইটা ক্ৰীড়া সংস্থাৰ সৈতে যোগাযোগ কৰা হৈছে। খেল মহাৰণৰ জৰিয়তে চিনাক্ত কৰা প্ৰতিভাশালী খেলুৱৈসকলক দেশৰ বিভিন্ন একাডেমীলৈ প্ৰেৰণ কৰাৰ বাবে চৰকাৰে প্ৰচেষ্টা হাতত ল'ব। জন্মৰ পৰা ১৮ বছৰ বয়সৰ শিশুসকলৰ মাজত ৫০বিধতকৈও অধিক জটিল ৰোগ চিনাক্ত কৰি বিনামূলীয়া চিকিৎসা প্ৰদানৰ বাবে চৰকাৰে লোৱা প্ৰচেষ্টা অধিক শক্তিশালী কৰা হ'ব বুলি তেওঁ ঘোষণা কৰে। বাল্যবিবাহ ৰোধৰ বাবে অসমে লোৱা সংকল্প সমগ্ৰ দেশৰ বাবে আদৰ্শ হৈ পৰা বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অহা ১ নৱেম্বৰৰ পৰা এমাহজুৰি বাল্যবিবাহৰ বিৰুদ্ধে আন এক আপোচহীন সংগ্ৰামত লিপ্ত হ'বলৈ অসম আৰক্ষীক নিৰ্দেশ দিয়া হৈছে। ৰাজ্যখনে আন এক সামাজিক ব্যাধিৰ সন্মুখীন হৈছে। বহুবিবাহত জড়িত কোনো চৰকাৰী কৰ্মচাৰীয়ে যদি নিজৰ প্ৰথমগৰাকী পত্নীক পৰিত্যাগ কৰে, তেন্তে সেইগৰাকী পৰিত্যক্তা পূৰ্ব পত্নীয়ে আৰ্থিক নিৰাপত্তাৰ স্বাৰ্থত স্বামীৰ দৰমহাৰ ২০ শতাংশ ধন লাভ কৰাটো সুনিশ্চিত কৰা হ'ব। বেচৰকাৰী খণ্ডত কাম কৰা কৰ্মচাৰীৰ ক্ষেত্ৰতো এই নিয়ম প্ৰয়োগ কৰাৰ বাবে এখন আইন প্ৰণয়ন কৰিবলৈ চৰকাৰে পদক্ষেপ হাতত লৈছে। অসম সচিবালয়ত ১ লাখ ফাইল আৰু আবেদন অমীমাংসিত হৈ থকা বুলি উল্লেখ কৰি তেওঁ কয় যে সঞ্চালকালয় আৰু জিলা আয়ুক্ত কাৰ্যালয়ক ধৰিলে ৰাজ্যত নিষ্পত্তি নোহোৱাকৈ পৰি থকা আবেদন বা ফাইলৰ সংখ্যা ৫ লাখতকৈও অধিক হ'ব। ৰাজ্যৰ মুখ্য সচিব আৰু অতিৰিক্ত মুখ্য সচিবসকলক লৈ এখন সমিতি গঠন কৰা হ'ব যাৰ জৰিয়তে অহা ২ অক্টোবৰৰ পৰা প্ৰজেক্ট সম্ভাৱনা পুনৰ আৰম্ভ কৰা হ'ব আৰু ২ অক্টোবৰৰ পৰা ৩১ জানুৱাৰীৰ ভিতৰত সচিবালয়, সঞ্চালকালয়, জিলা আয়ুক্তৰ কাৰ্যালয়ত নিষ্পত্তি নোহোৱাকৈ থকা সকলো ফাইল আৰু ৰাইজৰ আবেদনসমূহ ক্ষিপ্ৰতাৰে মীমাংসা কৰা হ'ব। অহা ডিচেম্বৰ মাহৰ পৰা মিছন বসুন্ধৰা-৪.০ আৰম্ভ কৰা হ'ব। প্ৰতিষ্ঠাৰ ১২৫ বছৰত ভৰি দিয়া কটন বিশ্ববিদ্যালয়ৰ উন্নয়নৰ বাবে ১০০ কোটি টকাৰ আৰ্থিক অনুদান আগবঢ়োৱাৰ কথাও তেওঁ ঘোষণা কৰে। উচ্চ শিক্ষিত যুৱক-যুৱতীক কৃষিখণ্ডলৈ বি আকৰ্ষিত কৰিব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে অহা ৫ বছৰত ১০ হাজাৰ আৰু এই বছৰ ১,০০০ গৰাকী উদ্যমী আৰু প্ৰগতিশীল কৃষকক মুখ্যমন্ত্ৰী কৃষক উৎকৰ্ষ বঁটা প্ৰদান কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই বঁটাৰ অধীনত নিৰ্বাচিত প্ৰতিগৰাকী কৃষকলৈ এক লাখ টকাকৈ আৰ্থিক সন্মান আগবঢ়োৱা হ'ব। জেন-জি, জেন-আলফা আদিবোৰ ইউৰোপীয় সংস্কৃতিৰ পৰা অহা ধাৰণাহে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই যুৱপ্ৰজন্মক দেশৰ ভৱিষ্যৎ আখ্যাৰে তেওঁলোকক পুত্ৰ-কন্যাসম বুলি অভিহিত কৰে। নতুন প্ৰজন্মৰ বাবে কাম কৰা আৰু ৰাজ্যৰ সম্পদক তেওঁলোকৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰাটো চৰকাৰৰ দায়িত্ব বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যৰ যুৱপ্ৰজন্মক শৃংখলিতভাৱে বিকাশৰ পথলৈ আগবঢ়াই নিয়াৰ বাবে যুৱ সবলীকৰণ আৰু উন্নয়ন বিভাগ নামেৰে এটা সম্পূৰ্ণ নতুন বিভাগ গঠন কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ খিলঞ্জীয়া আৰু থলুৱা জনসাধাৰণৰ অস্তিত্বৰ সুৰক্ষা তথা তেওঁলোকৰ জন্মগত ভূমিৰ অধিকাৰ চিৰকালৰ বাবে অক্ষুন্ন ৰখাৰ স্বাৰ্থত ৰাজ্যৰ ৪০টা ৰাজহ চক্ৰক বিশেষভাৱে অধিসূচিত কৰাৰ সিদ্ধান্তৰ কথা ঘোষণা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ৰাজহ চক্ৰসমূহৰ অন্তৰ্গত এলেকাত তিনিটা প্ৰজন্ম ধৰি বসবাস কৰা বাসিন্দাইহে ভূমি ক্ৰয় কৰিব পাৰিব। স্বাধীনতা দিৱস উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যবাসীৰ প্ৰতি কেইবাটাও গুৰুত্বপূৰ্ণ আহ্বান জনায়। তেওঁ অসমবাসী ৰাইজক লোকপিয়লত স্বতঃস্ফূৰ্তভাৱে ভাগ ল'বলৈ আহ্বান জনাই কয় যে বৰাক উপত্যকাৰ ৰাইজ আৰু জনজাতীয় ভাই-ভনীসকলে লোকপিয়লত নিজৰ নিজৰ ভাষাক মাতৃভাষা হিচাপে উল্লেখ কৰক। তেওঁলোকৰ বাহিৰে বহিঃৰাজ্যৰ পৰা আহি অসমক মাতৃভূমি বুলি গণ্য কৰা লোকসকলকে ধৰি অসমত বাস কৰা প্ৰতিগৰাকী গৌৰৱী অসমীয়াক লোকপিয়লত অসমীয়া ভাষাক নিজৰ মাতৃভাষা বুলি পৰিচয় দিবলৈ তেওঁ আহ্বান জনায়। আধুনিকতাৰ দিশে আগবাঢ়িলেও নিজৰ শিপা আৰু মূল্যবোধ কেতিয়াও নাপাহৰিবলৈ আৰু সন্তানকো সেই শিক্ষা দিবলৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাইজৰ প্ৰতি আহ্বান জনায়। তেওঁ লগতে আন সন্তানক কেৱল পৰীক্ষাত ভাল ফলাফল কৰাৰ বাবে নহয়, জীৱনত এজন ভাল মানুহ হিচাপে গঢ়ি তোলাৰ বাবে আন শিক্ষা দিবলৈ, নিজে মাদক দ্ৰব্যৰ পৰা আঁতৰি থকাৰ লগতে নিজৰ সন্তান আৰু যুৱপ্ৰজন্মক মাদক দ্ৰব্যৰ পৰা সুৰক্ষিত ৰাখি নিচামুক্ত জীৱনৰ বাবে আনকো উৎসাহিত কৰাৰ বাবে সংকল্প ল'বলৈ, নদী, পাহাৰ, বনাঞ্চল, গ্ৰেভজলাশয় আৰু জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ কৰিবলৈ, বৰষুণৰ পানী সংৰক্ষণ আৰু ব্যৱহাৰৰ ব্যৱস্থা কৰিবলৈ ৰাইজক আহ্বান জনায়। ৰাজ্যৰ যুৱপ্ৰজন্মক চাকৰিমুখী নহৈ নিজৰ জ্ঞান, দক্ষতা আৰু সৃষ্টিশীলতাৰে নতুন সুযোগ সৃষ্টি কৰাৰ আন মানসিকতা গঢ়ি তুলিবলৈ, 'মোৰ অসম, মোৰ দায়িত্ব' এই সংকল্পৰে ৰাস্তাত আৱৰ্জনা নেপেলোৱাৰ পৰা ৰাজহুৱা আৰু সম্পদ সুৰক্ষিত ৰখালৈ, আইন মানি চলাৰ পৰা আনৰ অধিকাৰক সন্মান কৰালৈ-নাগৰিকৰ প্ৰতিটো দায়িত্ব সঠিক ৰূপত পালনেৰে এখন সুস্থ সমাজ গঢ়িবলৈও তেওঁ প্ৰতিগৰাকী অসমবাসীৰ প্ৰতি আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে ইতিহাস চেতনাৰে সমৃদ্ধ হৈ ঐতিহ্য আৰু বৰ্ণিল সাংস্কৃতিক পৰম্পৰাক গৌৰৱেৰে সাৰটি জাতিটোক বিশ্বৰ দৰবাৰত থিয় কৰাবলৈ ৰাজ্যবাসীৰ প্ৰতি আহ্বান জনায়। স্বাধীনতা দিৱসৰ কাৰ্যসূচীত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, অসম চৰকাৰৰ মুখ্য সচিব ড° ৰবি কোটা, আৰক্ষী সঞ্চালক প্ৰধান হৰমিট সিং, কেইবাগৰাকী জনপ্ৰতিনিধি, স্বাধীনতা সংগ্ৰামীৰ পৰিয়ালৰ সদস্য, সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বহুসংখ্যক বিশিষ্ট ব্যক্তি, ৰাজ্য প্ৰশাসনৰ বহুকেইগৰাকী উচ্চপদস্থ বিষয়া আৰু কেইবাহাজাৰ লোক উপস্থিত থাকে।

# শ্ৰীশ্ৰী মা মনসা দেৱীৰ পূজাত ৰিনিকি ভূঞা শৰ্মা

সেৱা জনায়। এই পৱিত্ৰ অনুষ্ঠানত তেখেতসকলে উপস্থিত হৈ মাৰ শ্ৰীচৰণত সেৱা জনোৱাৰ লগতে ভক্তপ্ৰাণ ৰাইজৰ সৈতে কিছু সময় অতিবাহিত কৰে। মা মনসা দেৱীৰ আশীৰ্বাদে সকলোৰে জীৱন সুখ-শান্তি আৰু সমৃদ্ধিৰে পৰিপূৰ্ণ কৰি তোলক, তাৰেই প্ৰাৰ্থনা জনায়।

# আধুনিক অসমৰ অন্যতম মুখ্য খনিকৰ বা আধুনিক অসম নিৰ্মাতা ড° হিমন্ত বিশ্ব শৰ্মা

ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় জাতীয় কংগ্ৰেছৰ জৰিয়তে সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰে আৰু ২০০১ চনত তেওঁ প্ৰথমবাৰৰ বাবে জালুকবাৰী বিধানসভা সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হয়। ২০০১ চনত অসমৰ মূখ্যমন্ত্ৰী তৰুণ গগৈ চৰকাৰৰ দিনত তেওঁ স্বাস্থ্য, শিক্ষা, বিত্ত, কৃষি, আৰু পৰিকল্পনা আদি গুৰুত্বপূৰ্ণ মন্ত্ৰীত্বৰ পদ চম্ভালিছিল। তেওঁৰ কাৰ্যকালতে অসমৰ স্বাস্থ্য আৰু শিক্ষা খণ্ডত অভূতপূৰ্ব পৰিৱৰ্তন ঘটিছিল আৰু স্বাস্থ্য খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন আনিছিল। সেই সময়ত অসমত তিনিখন চৰকাৰী চিকিৎসা মহাবিদ্যালয়ৰ পৰা বৰ্তমানলৈকে ১৫ খন চিকিৎসা মহাবিদ্যালয়লৈ উন্নীত কৰি এক আমূল পৰিৱৰ্তন আনিছে। ২০১৫ চনৰ আগষ্ট মাহত তেওঁ ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰে। উত্তৰ-পূবৰ অনা-কংগ্ৰেছী দলসমূহক একগোট কৰি তেওঁ (নেডা) (NEDA - North East Democratic Alliance) গঠন কৰি আৰু সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত বিজেপিৰ ভেটি মজবুত কৰে। ২০২১ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ বৃহৎ বিজয়ৰ পিছত তেওঁ অসমৰ ১৫ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ২০২৬ চনৰ মে' মাহত তেওঁ একেৰাহে দ্বিতীয়বাৰৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে শপত লয়। অন্যতম শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী হিচাপে উল্লেখনীয় সফলতা তেওঁৰ প্ৰশাসনিক তৎপৰতা আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষিপ্ৰতাৰ বাবে দেশৰ বিভিন্ন সমীক্ষাত তেওঁক ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনকাৰী মুখ্যমন্ত্ৰীসকলৰ ভিতৰত স্থান দিয়া হৈছে। ড° হিমন্ত বিশ্ব শৰ্মাৰ মুখ্যমন্ত্ৰীৰ কাৰ্যকালৰ প্ৰধান সাফল্যসমূহ হ'ল নিযুক্তি প্ৰক্ৰিয়াত স্বচ্ছতা। তেখেতৰ দিনতে কোনো ধৰণৰ ভেটি বা দুৰ্নীতি নোহোৱাকৈ কেৱল যোগ্যতাৰ ভিত্তিত লাখৰো অধিক যুৱক-যুৱতীক চৰকাৰী চাকৰি প্ৰদান কৰা হৈছে। স্বাস্থ্য খণ্ডত অসমত কেইবাখনো নতুন চিকিৎসা মহাবিদ্যালয় আৰু অসমত এইমছ (AIIMS) স্থাপনৰ জৰিয়তে চিকিৎসা ব্যৱস্থা বিশ্বমানৰ কৰি গঢ়ি তুলিছে। অসমত পোনপ্ৰথমে অৰুণোদয় আঁচনিৰ জৰিয়তে দৰিদ্ৰ মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰিবলৈ তেওঁ 'অৰুণোদয়' আঁচনিৰ দৰে এক বৃহৎ সমাজ কল্যাণমূলক আঁচনি সফলতাৰে ৰূপায়ণ কৰি মহিলা সৱলীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। আন্তঃগাঁথনিৰ উন্নয়নৰ ক্ষেত্ৰত যোগাযোগ ব্যৱস্থা সুগম কৰিবলৈ দলং, উৰণীয়া সেতু আৰু ঘাইপথ নিৰ্মাণৰ কাম দ্ৰুত গতিত সম্পন্ন কৰিছে। প্ৰশাসন আৰু শান্তি প্ৰতিষ্ঠাৰ বাবে উগ্ৰপন্থী সংগঠনসমূহৰ সৈতে শান্তি চুক্তি কৰি ৰাজ্যখনত দীৰ্ঘদিনীয়া শান্তি আৰু সুস্থিৰতা ঘূৰাই আনিবলৈ তেওঁ সক্ষম হৈছে ইয়াৰ বাবে এককভাৱে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা শলাগৰ পাত্ৰ। ব্যক্তিগত জীৱন আৰু অন্যান্য আগ্ৰহত তেওঁ ২০০১ চনত ৰিণিকি ভূঞা শৰ্মাৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। তেওঁলোকৰ এজন পুত্ৰ (নন্দিল) আৰু এগৰাকী কন্যা (অনন্যা) আছে। ৰাজনীতিৰ উপৰিও ড° হিমন্ত বিশ্ব শৰ্মা ক্ৰীড়া আৰু সাহিত্যৰ প্ৰতি বিশেষভাৱে অনুৰাগী। তেওঁ বৰ্তমান ভাৰতীয় বেডমিণ্টন এছ'চিয়েশ্যনৰ (Badminton Association of India) সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছে। সাহিত্যৰ ক্ষেত্ৰখনটো তেখেতৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে, তেখেতে তিনিখনকৈ গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য জগতৰ ভঁৰাল টনকিয়াল কৰি থৈছে। ড° হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মমুখী নেতৃত্ব আৰু সুদুৰপ্ৰসাৰী দৃষ্টিভংগীয়ে অসমক এক নতুন গতি প্ৰদান কৰিছে। আজি আধুনিক অসমৰ অন্যতম মুখ্য খনিকৰ বা আধুনিক অসম নিৰ্মাতা হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাক ইতিহাসে সদায় সোঁৱৰাই থাকিব।

তিনি পৃষ্ঠাৰ পৰা

# ড° দয়ানন্দ পাঠক ঃ সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষৰ পৰা বৌদ্ধিক

ছাত্ৰ হিচাপে তেখেতে শ্বেইকছপীয়েৰৰ ৰোমিও এণ্ড জুলিয়েট, জুলিয়াছ চিজাৰ, কিং লিয়াৰ, হেমলেট আৰু মেইজাৰ ফৰ মেইজাৰ এই ছয়খন নাটক অসমীয়া ভাষাত অনুবাদ কৰি প্ৰকাশ কৰিছে।

তেখেতে কেইবাখনো অসমীয়া গ্ৰন্থ সম্পাদনা কৰিছে। তাৰ ভিতৰত শংকৰদেৱ আৰু মাধৱদেৱৰ বৰগীত, নাট্য প্ৰসংগ, পৰেশ বৈশ্য ৰচনাৱলীৰ প্ৰথম আৰু দ্বিতীয়, তৃতীয় আৰু চতুৰ্থ খণ্ড, বাণীকান্ত কাকতিৰ প্ৰতিভা, সতীশ চন্দ্ৰ কাকতি অভিনন্দন গ্ৰন্থ আৰু প্ৰিন্সিপাল পৰেশ বৈশ্য আদি উল্লেখযোগ্য।

তেখেতে হাজো বিষয়কো আন কেইবাখনো গ্ৰন্থ ইংৰাজীত লিখিছে। সেই সমূহ হ'ল Destination Hajo, Hajo. Holy Land, Hajo. A Heritage সমন্বয় তীৰ্থ ঃ হাজো। তেখেতে Hajo Revisited নামৰ এটি বিখ্যাত ইংৰাজী কবিতা লিখি হাজোৰ নাম উজ্বল কৰিছে।

অসমৰ জাতীয় জীৱনলৈ আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে বিভিন্ন সামাজিক অনুষ্ঠানে ইতিমধ্যে তেখেতক ভালেমান বঁটা - সন্মানেৰে কৃতজ্ঞতা জ্ঞাপন কৰিছে। তাৰ ভিতৰত পৰেশ বৈশ্য ফাউণ্ডেচনৰ 'শিক্ষাচাৰ্য' সন্মান, 'তিতকুছি বঁটা', 'ড° বাণীকান্ত কাকতি বঁটা', 'বিৰিণা সাহিত্য বঁটা', পৰেশ বৈশ্য ফাউণ্ডেচনৰ 'শংকৰদেৱ অধ্যয়ন বঁটা' 'সাহিত্য ৰত্ন' সন্মান আৰু আন ভালেমান জাতীয় অনুষ্ঠানে তেখেতক জীৱনজোৰা সাধনা বঁটা প্ৰদান কৰিছে। তেখেত ২০১৮ চনত অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনো লাভ কৰে। কিন্তু গুৰুদুজনাৰ অমূল্য নাট্য সম্ভাৰ ইংৰাজীলৈ অনুবাদ কৰি জাতীয় দায়িত্ব পালন কৰা ড.দয়ানন্দ পাঠকক অসম চৰকাৰে শংকৰদেৱ বঁটা বা মাধৱদেৱ বঁটাৰ বাবে নিৰ্বাচিত নকৰাটো সচাঁকৈয়ে পৰিতাপৰ বিষয়।

(লেখক এগৰাকী শিক্ষাবিদ, সাহিত্যিক, সাংবাদিক। পৰেশ বৈশ্য ফাউণ্ডেচনৰ পৰিচালন ন্যাসৰক্ষী। **ম'বাইল ঃ** ৯৮৫৯২-৬৩৯৭৩।)

# বানত বিধ্বস্ত শিৱসাগৰৰ শিক্ষানুষ্ঠানত এন ই এ আই ডিৰ উদ্যোগত 'বেক টু স্কুল অভিযান'ৰ শুভাৰম্ভ




**জয়ন্ত মুদৈ, নগাঁও ঃ** পবিত্ৰ স্বাধীনতা দিৱসৰ দিনটোতে নৰ্থ-ইষ্ট চেণ্টাৰ ফৰ ইকুইটি এক্সন অন ইন্টিগ্ৰেটেড ডেভেলপমেণ্ট চমুকৈ এন ই এ আই ডিৰ উদ্যোগত বান বিধ্বস্ত শিৱসাগৰৰ দুখনকৈ বিদ্যালয়ত 'বেক টু স্কুল অভিযান'ৰ শুভাৰম্ভ কৰা হয়। আচলতে, বহনক্ষম উন্নয়নৰ লক্ষ্য ৰাখি চৰকাৰী বিভিন্ন ব্যৱস্থাৰ সৈতে সামঞ্জস্য ৰাখি শিক্ষা, শিশুৰ সুৰক্ষা, স্বাস্থ্য, অনাময়, দুৰ্যোগ ব্যৱস্থাপনা আৰু জলবায়ু স্থিতিস্থাপকতাৰ ক্ষেত্ৰত সমন্বিত পদ্ধতিৰে কাম কৰা উত্তৰ পূৱৰ অগ্ৰণী স্বেচ্ছাসেৱী সংস্থা এন ই এ আই ডিৰ উদ্যোগত তথা ছাইল্ড এইড্ নেটৱৰ্কৰ সহযোগত এই 'বেক টু স্কুল অভিযান' কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই অভিযানৰ মূল উদ্দেশ্য হৈছে বানপীড়িত শিশুসকলক শিক্ষামূলক সামগ্ৰী প্ৰদান কৰা, বিদ্যালয়সমূহত উন্নত অনাময়, স্বচ্চতাৰ অভ্যাস গঢ়ি তোলা আৰু দুৰ্যোগ পীড়িত অঞ্চলৰ শিশুৰ সুৰক্ষা আৰু কল্যাণ অধিক শক্তিশালী কৰা। এই শুভাৰম্ভণি অনুষ্ঠানৰ অংশ হিচাপে শিৱসাগৰ জিলাৰ নাজিৰা ব্লকৰ বগৰিগুৰি এল পি স্কুলৰ ৪০ গৰাকী আৰু বাঁহগড় ৰূপজ্যোতি হাইস্কুলৰ ১৩০গৰাকী শিক্ষাৰ্থীক স্কুল বেগ আৰু ষ্টেচনাৰী সামগ্ৰী প্ৰদান কৰা লগতে বিদ্যালয় কৰ্তৃপক্ষক স্বচ্চতা আৰু অনাময়ৰ বাবে সামগ্ৰী আৰু সম্পত্তিও প্ৰদান কৰা হ'য়। উক্ত কাৰ্যসূচীত উপস্থিত থাকি সমগ্ৰ শিক্ষা অভিযানৰ শিৱসাগৰ জিলা কাৰ্যসূচী বিষয়া ৰিচা শইকীয়াই 'স্বাধীনতা দিৱসৰ পৱিত্ৰ দিনত চাইল্ড এইড নেটৱৰ্কৰ সহযোগত 'বেক টু স্কুল অভিযান'ৰ শুভাৰম্ভ কৰিবলৈ পাই আমি অত্যন্ত আনন্দিত হৈছো বুলি মন্তব্য কৰে। অনুষ্ঠানত এন ই এ আই ডিৰ কৰ্মকৰ্তা জয়দ্বীপ ফুকন আৰু দিব্যজ্যোতি বৰুৱাই নিজৰ ভাষনত শেহতীয়া প্ৰলয়ংকৰী বানৰ ফলত ক্ষতিগ্ৰস্ত শিৱসাগৰ জিলাৰ শিশুসকলৰ শিক্ষা অব্যাহত ৰখা, তেওঁলোকৰ কল্যাণ নিশ্চিত কৰা আৰু সকলো শিশুৰ বাবে সমান সুযোগ সৃষ্টি কৰাৰ প্ৰতি আমাৰ অংগীকাৰক আমি পুনৰ দৃঢ় কৰিছো বুলি উল্লেখ কৰি কয়ে যে- এই উদ্বোধনী অনুষ্ঠান কেৱল এটা কাৰ্যসূচীৰ আৰম্ভণি নহয়। ই শিৱসাগৰ জিলাৰ অধিক সংখ্যক শিশুৰ ওচৰলৈ শিক্ষা আৰু শিশু সুৰক্ষাৰ সহায়তা লৈ যোৱাৰ এক বৃহত্তৰ প্ৰচেষ্টাৰ আৰম্ভণি। আগন্তুক দিনত এই ই এ আই ডিয়ে শিৱসাগৰ জিলাৰ বিভিন্ন অঞ্চলত শিক্ষা আৰু শিশু সুৰক্ষাৰ ক্ষেত্ৰত এই হস্তক্ষেপ অধিক বিস্তৃত কৰাৰ লক্ষ্য ৰাখিছে। বানপানীৰ দৰে দুৰ্যোগে শিশুৰ শিক্ষা আৰু স্বাভাৱিক জীৱনত গভীৰ প্ৰভাৱ পেলাব পাৰে। সেয়েহে কোনো শিশুৱেই যাতে কেৱল দুৰ্যোগৰ বাবে শিক্ষাৰ পৰা আঁতৰি নাযায় তাক নিশ্চিত কৰাটো আমাৰ সকলোৰে সামূহিক দায়িত্ব বুলি। উল্লেখ্য যে, এন ই এ আই ডিয়ে বৰ্তমান যোৰহাট আৰু শিৱসাগৰ জিলাত বান সাহায্য আৰু সঁহাৰি কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আছে। এতিয়ালৈকে ২,১০৩টা পৰিয়ালক শুকান খাদ্য সামগ্ৰী আৰু স্বচ্চতা আৰু অনাময়ৰ সামগ্ৰী প্ৰদান কৰা হৈছে। উক্ত শুভাৰম্ভণি কাৰ্যসূচীত এন ই এ আই ডিৰ কৰ্মকৰ্তা শিৱ ৰিচাৰ্ড বৰদলৈ, পাৰবিন চুলতানা বেগম, ফুৰ্টি দাস, জয়ন্ত শৰ্মাকে আদি কৰি বিদ্যালয় দুখনৰ প্ৰধান শিক্ষক, সহকাৰী শিক্ষক, মাতৃ গোটৰ সদস্যসকল উপস্থিত থাকে।

# সমগ্ৰ দেশৰ লগতে বাক্সাৰ শালবাৰীতো ৮০ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপন



**প্ৰসন্ন নাথ, বাক্সা ঃ** দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বাক্সা জিলাৰ শালবাৰীত শালবাৰী মহকুমা প্ৰশাসনৰ উদ্যোগত ৮০ তম স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে বিটিচি চৰকাৰৰ ইএম বেগম আখতাৰা আহমেদে উপস্থিত থাকি ৮০ তম স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কৰে। ৮০ তম স্বাধীনতা দিৱসৰ এই প্ৰাকক্ষণত মুখ্য অতিথি হিচাপে বেগম আখতাৰা আহমেদে দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদসকলক স্মৰণ কৰি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মানাহ বিধানসভা সমষ্টিৰ বিধায়ক থানেশ্বৰ বসুমতাৰী, ২১ শালবাৰী পৰিষদীয় সমষ্টিৰ পাৰিষদ দিগন্ত গয়াৰীয়ে অতিথি হিচাপে উপস্থিত থাকে। ৮০ তম স্বাধীনতা দিৱসৰ কাৰ্যসূচীত শালবাৰী মহকুমাৰ এই কাৰ্যসূচীত ভূটানৰ কেইবাজনো প্ৰতিনিধি উপস্থিত থাকে। স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ লগত সংগতি ৰাখি আৰক্ষী প্ৰশাসন আৰু বিভিন্ন বিদ্যালয়ৰ দ্বাৰা শিক্ষাৰ্থীৰ দ্বাৰা প্ৰদৰ্শিত পেৰেডৰ অভিবাদন গ্ৰহণ কৰে মুখ্য অতিথি বেগম আখতাৰা আহমেদে। অনুষ্ঠানৰ অন্তিম পৰ্যায়ত বিভিন্ন বিদ্যালয়ৰ শিক্ষাৰ্থীৰ দ্বাৰা সাংস্কৃতিক অনুষ্ঠানো প্ৰদৰ্শন কৰে।




# প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ কাৰ্যসূচীৰ অধীনত ডায়েলাইছিছ কেন্দ্ৰৰ শুভ উদ্বোধন




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় ডায়েলাইছিছ কাৰ্যসূচী (PMNDP)-ৰ অধীনত মহাত্মা গান্ধী মডেল হাস্পতাল, বামুনীগাঁও, কামৰূপত এটি তিনিখন বিচনাযুক্ত ডায়েলাইছিছ কেন্দ্ৰৰ ১৯ আগষ্টত শুভ উদ্বোধন কৰে বকো-ছয়গাঁও LAC ৰ মাননীয় বিধায়ক ৰাজু মেছ-এ। অনুষ্ঠানত কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ উপস্থিত থাকে। অনুষ্ঠানত অতিৰিক্ত আয়ুক্ত (স্বাস্থ্য) মণিকা বৰগোহাঁই, CDC প্ৰিয়াংশু ভৰদ্বাজ, বকোৰ CO কৃষ্ণ অৰ্জুন বৰ্মন, ছয়গাঁৱৰ CO নিতু কলিতা, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্যসকলৰ লগতে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি কামৰূপৰ উপায়ুক্ত শ্ৰীদেৱ কুমাৰ মিশ্ৰই কয় যে, ওচৰৰ অঞ্চলত কোনো ডায়েলাইছিছ ইউনিট নথকাৰ পৰিপ্ৰেক্ষিতত এই তিনিখন বিচনাযুক্ত ডায়েলাইছিছ কেন্দ্ৰটোৱে স্থানীয় ৰাইজক যথেষ্ট সহায় কৰিব। তেওঁ লগতে উল্লেখ কৰে যে ডায়েলাইছিছ চিকিৎসা যথেষ্ট ব্যয়বহুল যদিও চৰকাৰৰ এই কাৰ্যসূচীৰ অধীনত যোগ্য ৰোগীসকলে বিনামূলীয়াকৈ ডায়েলাইছিছ সেৱা লাভ কৰিব পাৰিব। বিধায়ক ৰাজু মেছে এই কেন্দ্ৰটো উদ্বোধনক স্বাস্থ্য সেৱা শক্তিশালী কৰাৰ এক আৰম্ভণি বুলি উল্লেখ কৰে। তেওঁ কয় যে কেৱল ৰোগৰ চিকিৎসাৰ ওপৰত গুৰুত্ব দিয়াই নহয়, জনসাধাৰণে সুস্থ জীৱনশৈলী গ্ৰহণ আৰু ৰোগ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণৰ প্ৰতিও সচেতন হোৱা উচিত। নৱনিৰ্মিত ডায়েলাইছিছ কেন্দ্ৰটোৱে বকো-ছয়গাঁও অঞ্চলৰ লগতে ইয়াৰ ওচৰ-পাজৰৰ ৰাইজৰ বাবে সহজলভ্য, সুলভ আৰু বিনামূলীয়া স্বাস্থ্য সেৱা প্ৰদানৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।




# নগাঁও জিলাৰ ঘুৰঘুৰীত পথ দুৰ্ঘটনা

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও জিলাৰ নৗে আৰক্ষী চকীৰ অন্তৰ্গত ঘুৰঘুৰীত কামপুৰৰ পৰা পাচনীজাৰ গৃহ অভিমুখে গৈ থকা AS02- AG- 7255 নম্বৰৰ ইগনীজ বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই ঘুৰঘুৰী দলঙৰ ৰেলিঙত প্ৰচণ্ডজোৰে খুন্দা মাৰে। ফলস্বৰূপে গাড়ীখনৰ যথেষ্ট ক্ষয়ক্ষতি হোৱাৰ লগতে বাহনখনত চালকৰ আসনত থকা অনিল ৰাজখোৱা আৰু তেখেতৰ পত্নী বিভা ৰাজখোৱা গুৰুত্বৰভাৱে আঘাতপ্ৰাপ্ত হয়। সাম্প্ৰতি স্থানীয় ৰাইজৰ তৎপৰতাত ৰাঙলু আৰু নৗে আৰক্ষী চকীৰ পৰা আৰক্ষীৰ লোক ঘটনাস্থলীত উপস্থিত হৈ দম্পতীহালক উন্নত চিকিৎসাৰ বাবে নগাঁও চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিছে।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.in/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা